**গৰম! দুজনৰ মৃত্যু যোৰহাটত**

**ই-সংবাদ, যোৰহাট, ২৩ ছেপ্টেম্বৰঃ** ৰাজ্যত বিগত কেইবাদিন ধৰি নাই বৃষ্টিপাত। পথাৰ ৪ পৃষ্ঠাত চাওক

www.newsnextone.com

# e সংবাদ

Sacn to Donate
NEWSNEXTONE.COM

TUESDAY, SEPTEMBER 24, 2024 ■ মঙলবাৰ।। ৭ আহিন, ১৯৪৬ শকাব্দ www.newsnextone.comৰ অনলাইন দৈনিক ■ প্ৰথম বছৰ, সংখ্যা ২৬২ Guwahati, Assam ।। মূল্যঃ এটকা

## এক অধমৰ কাণ্ড! বিদ্যালয়তে ছাত্ৰই কাঢ়িলে ছাত্ৰৰ প্ৰাণ

**ই-সংবাদ, মঙলদৈ, ২৩ ছেপ্টেম্বৰঃ** কলুষিত হৈ পৰিছে ৰাজ্যখনৰ সামাজিক আবহাৱা। ৰাজনৈতিক দলৰ নেতা, জাতীয় সংগঠনৰ নেতাৰ পৰা আৰম্ভ কৰি সমাজক নেতৃত্ব দিয়া লোকৰ মুখত এতিয়া কেৱল হিংসাৰ কথা। নেতাই কাটিম-মাৰিম বুলি সদম্ভে ঘোষণা কৰে। এটা





স্খলত আৰক্ষী, কাষৰ ছবিত নিহত ছাত্ৰজন


জনগোষ্ঠীৰ বিৰুদ্ধে আন এটা জনগোষ্ঠীক যুঁজ কৰিবলৈ উচটনি দিয়ে। সমাজৰ বহু লোকৰ মুখত প্ৰতিনিয়ত কেৱল ঘৃণা, বৈষম্যৰ কথা। হয়তো ডাঙৰৰ মুখত প্ৰায়ে শুনা এনে কথাই সৰু সকলোকো ঘৃণা, বৈষম্যৰ জগত এখনলৈ লৈ গৈছে। এনে ঘৃণা, বৈষম্যৰ পৰিৱেশ শেষাংশ ২ পৃষ্ঠাত

### সঁহাৰি নাই ৰাইজৰ! শিৱসাগৰত সৰ্বাৰ পৰ্যালোচনা সভা

## 'হিমন্ত-বিজেপি'ৰ প্ৰতি উজনিত মোহভংগ




**ই-সংবাদ, ডিব্ৰুগড়, ২৩ ছেপ্টেম্বৰঃ** বিজেপিত পৱিত্ৰ মাৰ্ঘেৰিটা তাবিজে কাম কৰা নাই উজনিত। গৌৰৱ গগৈৰ প্ৰতি নতুনকৈ আস্থা আৰু বিশ্বাস স্থাপন হোৱাৰ পৰিপ্ৰেক্ষিততে উজনিৰ ৰাইজ বিজেপিৰ প্ৰতি পূৰ্বৰ দৰে ২ পৃষ্ঠাত চাওক




## অস্কাৰলৈ যাব 'লাপতা লেডিজ'

**মুম্বাই, ২৩ ছেপ্টেম্বৰঃ** প্ৰতিগৰাকী চলচ্ছিত্ৰ প্ৰযোজক, পৰিচালক অথবা অভিনেতা-অভিনেত্ৰীৰ সপোনৰ শিখৰৰ অবয়ৱ অস্কাৰ। এই অস্কাৰৰ শেষাংশ ৩ পৃষ্ঠাত

## শিশু পৰ্ণ'গ্ৰাফী চোৰা, মোবাইলত ছেভ কৰি ৰখা লোকৰ বিৰুদ্ধেও প'ক্স' আইন

**নতুন দিল্লী, ২৩ ছেপ্টেম্বৰঃ** কেৱল আদান প্ৰদান বা আপলোড কৰাই নহয়। শিশুৰ আপত্তিজনক ভিডিঅ' চোৱা বা মোবাইল, লেপটপৰ দৰে যিকোনো ডিভাইচ সংৰক্ষণ কৰাটোও প'ক্স' আইনৰ অধীনত এক অপৰাধ। সোমবাৰে এই মন্তব্য কৰে শেষাংশ ৪ পৃষ্ঠাত

## বিক্ৰমাসিংঘেৰ মহাপতন, কমিউনিষ্টৰ হাতলৈ শ্ৰীলংকা

### অনুৰাকুমাৰ হ'ল নতুন ৰাষ্ট্ৰপতি

**কলম্বো, ২৩ ছেপ্টেম্বৰঃ** ভাৰতৰ প্ৰতিবেশী ৰাষ্ট্ৰ শ্ৰীলংকাৰ নিৰ্বাচনী ইতিহাসত প্ৰথমবাৰৰ বাবে ৰাষ্ট্ৰপতিৰ আসনত অধিষ্ঠিত হ'ল এগৰাকী বাওঁপন্থী নেতা। দ্বীপৰাষ্ট্ৰখনত দেওবাৰে ঘোষিত হোৱা ৰাষ্ট্ৰপতি নিৰ্বাচনত শেষাংশ ৪ পৃষ্ঠাত



### ইজৰাইলৰ আক্ৰমণ

## লেবাননত শতাধিক নিহত

**বেইৰুট, ২৩ ছেপ্টেম্বৰঃ** প্ৰথমে পেজাৰ বিস্ফোৰণ, তাৰ পিছত ৱাকী-টকিৰ বিস্ফোৰণ। যোৱা সপ্তাহত মধ্যপ্ৰাচ্যৰ দেশ লেবাননত সংঘটিত ইটোৰ পিছত সিটো বিস্ফোৰণে আতংকৰ সৃষ্টি কৰাৰ পিছতে এইবাৰ সংঘটিত শেষাংশ ৩ পৃষ্ঠাত

## 'এআই' মানে আমেৰিকান-ইণ্ডিয়ান! মোদীয়ে উলিয়ালে 'এআই'ৰ নতুন অৰ্থ

**নিউয়ৰ্ক, ২৩ ছেপ্টেম্বৰঃ** বিশ্বৰ বাবে এআইৰ অৰ্থ আৰ্টিফিচিয়েল ইণ্টেলিজেন্স, কিন্তু মোৰ মতে এআইৰ অৰ্থ হৈছে আমেৰিকান-






ইণ্ডিয়ান। আমেৰিকা ভ্ৰমণৰ সময়তে এ আইৰ নতুন অৰ্থৰ উন্মেষ ঘটাই এই মন্তব্য কৰিলে শেষাংশ ৩ পৃষ্ঠাত

## লখিমপুৰত এজাহাৰ দাখিল ভূপেন বৰাৰ

**ই-সংবাদ, লখিমপুৰ, ২৩ ছেপ্টেম্বৰঃ** বিৰোধী দলৰ নেতা ৰাহুল গান্ধীক টাৰ্গেট কৰি হিংসুক মন্তব্য প্ৰদান কৰা বিজেপি আৰু শিৱসেনাৰ সিন্দে গোটৰ নেতাৰ বিৰুদ্ধে দেশজুৰি গোচৰ শেষাংশ ৪ পৃষ্ঠাত

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ‘হিমন্ত বিজেপি’ৰ প্ৰতি উজনিত

আকৃষ্ট হোৱা নাই। পৱিত্ৰ মাৰ্ঘেৰিটাক কেন্দ্ৰীয় মন্ত্ৰীৰ দায়িত্ব দি বিজেপি দল-চৰকাৰে ভাবিছিল যে উজনি অসমত বিশেষকৈ যোৰহাট, শিৱসাগৰ, ডিব্ৰুগড় আৰু মাজুলীত আহোম সম্প্ৰদায়ৰ লোকক বিজেপিৰ ফলীয়া কৰিব পাৰিব। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই নিৰ্বাচনৰ সময়ত সমগ্ৰ ৰাজ্য প্ৰশাসনক ৰাজনৈতিক পথাৰত নমাই দিও গৌৰৱ গগৈৰ ভাবমূৰ্তি ম্লান কৰিব পৰা নাছিল। আনকি লাচিতৰ সৰ্ববৃহৎ প্ৰতিমূৰ্তি নিৰ্মাণৰ দ্বাৰা আৱেগিক ৰাজনীতি কৰিব বিচাৰিছিল যদিও উজনিৰ ৰাইজে বিজেপিৰ কৌশলী ৰাজনীতি আৰু দুৰ্নীতি ভ্ৰষ্টাচাৰৰ বিৰুদ্ধে ভোট প্ৰদান কৰিছিল। পৰৱৰ্তী সময়ত গৌৰৱ গগৈৰ জনপ্ৰিয়তা ৰোধ কৰাৰ বাবে আহোম সম্প্ৰদায়ৰ নেতা সৃষ্টি কৰি পৱিত্ৰ মাৰ্ঘেৰিটাক তাবিজ হিচাপে বিজেপিয়ে ব্যৱহাৰ কৰিছিল যদিও সেয়াও সফল হ'ব পৰা নাই। বিজেপিৰ সদস্য ভৰ্তি অভিযানত ৰাইজে সহাৰি নজনোৱা কথাটোৱে প্ৰমাণ কৰিছে যে গৌৰৱ গগৈ বিৰোধীত থাকিও সঠিক দিশেৰে আগবাঢ়িছে। হয়তো ৰাইজক বিজেপিৰ কুকৰ্ম আঙুলিয়াই দিয়াত সফল হৈছে গৌৰৱ। এনে বিষয়সমূহৰ চৰ্চাৰ মাজতে বিজেপিয়ে উজনিৰ খোপনি যে হেৰুৱাইছে তাৰেই প্ৰমাণ পোৱা গৈছে সদস্য ভৰ্তি অভিযানত। গৌৰৱ গগৈ যোৰহাট সংসদীয় সমষ্টিৰ পৰা জয়ী হোৱাৰ পাছতে জাতীয় সংগঠনে উজনিত মিঞা খেদা অভিযান চলোৱাত বিজেপিয়ে দলীয় স্থিতি মজুত হ'ব বুলি ধাৰণা কৰিছিল যদিও সেই ধাৰণা ভুল বুলি প্ৰমাণিত হৈছে। কিয়নো বিজেপিয়ে উজনি অসমত অব্যাহত ৰখা সদস্য ভৰ্তি অভিযান একপ্ৰকাৰ ফ্লপ-শ্ব'ত পৰিণত হৈছে। উজনিৰ দৰিদ্ৰ পৰিয়ালসমূহক অৰুণোদয় আঁচনি দিয়াৰ প্ৰলোভন দি বিজেপিৰ সদস্য কৰা বুলি অভিযোগো উত্থাপন হৈ আহিছিল। চল-বল-কৌশল তথা প্ৰলোভন সত্বেও উজনিৰ চাৰি জিলাত বিজেপিৰ সদস্য ভৰ্তি অভিযান অতি মন্থৰ হৈ পৰিছে বুলি তথ্য প্ৰকাশ পাইছে। প্ৰাপ্ত খবৰ অনুযায়ী যোৰহাট জিলাৰ তিতাবৰ সমষ্টিত ১৩,৬৭২গৰাকী লোকে বিজেপিৰ সদস্য পদ গ্ৰহণ কৰিছে। টীয়কত ১৪,১৩৯ জন, যোৰহাটত ১৯,০৮৭ জন, শিৱসাগৰত ২১,৯২৬ জন, মৰিয়নীত ২৮,৮৬২ জনে বিজেপিৰ সদস্য পদ গ্ৰহণ কৰিছে। কেৱল নাজিৰাতহে সদস্য ভৰ্তিৰ সংখ্যাই ৩০ হাজাৰৰ সীমা অতিক্ৰম কৰিছে। এনে তথ্য লাভ কৰাৰ পাছতে উজনিক লৈ চিন্তিত হৈ পৰিছে বিজেপি। উদ্বিগ্ন হৈ পৰা বিজেপিৰ ত্ৰাণকৰ্তাৰ ভূমিকাত অৱতীৰ্ণ হৈছে সৰ্বানন্দ সোণোৱাল। সোণোৱালৰ লগতে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ নিৰ্দেশত আহোম জনগোষ্ঠীক প্ৰতিনিধিত্ব কৰা পৱিত্ৰ মাৰ্ঘেৰিটাও তৎপৰ হৈছে। বাধ্য হৈ সোণোৱাল আৰু পৱিত্ৰ মাৰ্ঘেৰিটাৰ নেতৃত্বত বিজেপিয়ে শিৱসাগৰত অনুষ্ঠিত কৰিছে বিশেষ পৰ্যালোচনা বৈঠক। উল্লেখ্য যে লোকসভা নিৰ্বাচনৰ সময়ত যোৰহাট তথা উজনিৰ ভিন্ন প্ৰান্তলৈ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই নিজৰ বিশ্বাসী সতীৰ্থসকলক লগত লৈ নিৰ্বাচনী অভিযান চলাইছিল। এনে অভিযানক লৈ বিজেপিৰ উজনিৰ কেবাগৰাকী বিধায়ক তথা নেতা অসন্তুষ্ট হৈ পৰিছিল। বিধায়ক মৃণাল শইকীয়াই ছ'চিয়েল মিডিয়াত মুকলিকৈ উজনি-নামনি সন্দৰ্ভত মন্তব্য কৰা দেখা গৈছিল। এনেপৰিপ্ৰেক্ষিতত বিজেপিত মুখ্যমন্ত্ৰী হিমন্ত বিশ্বই সৰ্বেসৰ্বা বুলি উজনিত ব্যাপক চৰ্চা চলাত সচেতন লোকসকলৰ মাজত দলটোৰ প্ৰতি মোহভংগ হোৱা দেখা গৈছে। ইফালে উজনিত বিজেপিৰ প্ৰতি মোহভংগ ঘটা বুলি সংবাদ মাধ্যমত প্ৰকাশিত বাতৰি সত্য নহয় বুলি আজি পৰ্যালোচনা বৈঠকত দাবী কৰিছে কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল আৰু হিমন্ত চৰকাৰৰ প্ৰভাৱশালী মন্ত্ৰী পীযুষ হাজৰিকাই। সোণোৱালে বিজেপিৰ সদস্য ভৰ্তিৰ প্ৰতি উজনিৰ ৰাইজৰ সহাৰি একেবাৰে কম বুলি উত্থাপিত অভিযোগক নাকচ কৰি নৰেন্দ্ৰ মোদীৰ নেতৃত্বত উন্নয়নৰ গতি ত্বৰান্বিত হোৱা বুলি দাবী কৰে। কেন্দ্ৰীয় মন্ত্ৰী পৱিত্ৰ মাৰ্ঘেৰিটাই আকৌ কয় যে পূৰ্বতকৈ কেইবাটাও সমষ্টি বিশেষকৈ শিৱসাগৰ, নাজিৰা সমষ্টিত সদস্য ভৰ্তি বৃদ্ধিহে হৈছে। সোণোৱাল, মাৰ্ঘেৰিটা আৰু পীযুষ হাজৰিকাই এনে দাবী কৰিলেও অৱশ্যে দলটো উজনিক লৈ ভিতৰি ভিতৰি শংকিত হৈ পৰিছে বুলি বিজেপিৰ এটি সূত্ৰই 'ই-সংবাদ'ক জানিবলৈ দিছে। উল্লেখ্য যে, ৰাজ্যত শাসকীয় বিজেপি দলৰ সদস্য ভৰ্তি অভিযান দ্ৰুত গতিত চলিছে। বৰ্তমান ৰাজ্যজুৰি ৩৫ লাখতকৈ অধিক হৈছে সদস্যৰ সংখ্যা। কিন্তু উজনি অসমৰ মন্থৰ সদস্য ভৰ্তিক লৈ বিজেপিৰ ভিতৰচ'ৰাত কঁপনি অব্যাহত আছে। বিশেষকৈ যোৰহাট লোকসভা সমষ্টিত আশা কৰা ধৰণে ৰাইজৰ পৰা বিশেষ সঁহাৰি নোপোৱাত বিজেপিৰ ভিতৰচ'ৰাৰ লগতে বাজপেয়ী ভৱন তথা মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাও এতিয়া যথেষ্ট চিন্তিত হৈ পৰিছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# এক অধমৰ কাণ্ড! বিদ্যালয়তে

শিক্ষানুষ্ঠানৰ শ্ৰেণীকোঠা পৰ্যন্ত পাইছে। আজি দৰং জিলাত সংঘটিত এক ভয়ংকৰ কাণ্ডই যেন এই কথাকে প্ৰতীয়মান কৰিছে। জিলাখনৰ ছিপাঝাৰৰ পদুমপুখুৰী হাই স্কুলত দশম শ্ৰেণীৰ ছাত্ৰৰ প্ৰহাৰত নৱম শ্ৰেণীৰ এগৰাকী ছাত্ৰৰ মৃত্যু হোৱা ঘটনাই সমগ্ৰ ৰাজ্যত চাঞ্চল্যৰ সৃষ্টি কৰিছে। প্ৰাপ্ত বাতৰি অনুসৰি জ্যেষ্ঠ ছাত্ৰৰ প্ৰহাৰত ভৰেশ ডেকা নামৰ নৱম শ্ৰেণীত অধ্যয়ৰত ছাত্ৰজনে অকালতে প্ৰাণ হেৰুৱাই। প্ৰয়াত ভৰেশ ডেকাৰ মৃতদেহ উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষা কৰিছে। উদণ্ড ছাত্ৰৰ প্ৰহাৰত মৃত্যুক আকোৱালি লোৱা ভৰেশ ডেকা সেনাপতিপাৰা গাঁৱৰ হেমচন্দ্ৰ ডেকা আৰু ধনমণি ডেকাৰ একমাত্ৰ সন্তান আছিল। মেধাৱী আৰু মৰমিয়াল ছাত্ৰজনৰ এনে মৃত্যুত সমগ্ৰ অঞ্চলটোত গভীৰ শোকৰ ছাঁ পৰিছে। জানিব পৰা মতে, পদুমপুখুৰী হাইস্কুলত আজি প্ৰথম ঘণ্টাৰ পাছতে দশম শ্ৰেণীৰ ছাত্ৰ এজনে পানী খাবৰ বাবে শ্ৰেণীকোঠাৰ পৰা ওলাই আহিছিল। সেই সময়ত নৱম শ্ৰেণীৰ ছাত্ৰ ভৰেশ ডেকাই ছাত্ৰজনক দেখি শ্ৰেণীৰ কোঠাৰ সন্মুখত ‘কালি তই মোক কিয় দম দিছিলি’ বুলি কৈ ছাত্ৰজনক প্ৰশ্ন কৰে। সেই সময়ত দশম শ্ৰেণীৰ জ্যেষ্ঠ ছাত্ৰ জনে কনিষ্ঠ ছাত্ৰ ভৰেশক প্ৰহাৰ কৰে। দশম শ্ৰেণীৰ ছাত্ৰজনৰ প্ৰহাৰত ভৰেশ ডেকা ঢলি পৰাত বিদ্যালয়খনত হুৱা-দুৱা লাগে। শিক্ষক জিৰণি কোঠাৰ পৰা শিক্ষকসকল দৌৰি ওলাই আহি ততাতৈয়াকৈ এম্বুলেন্সেৰে প্ৰথমে ভৰেশ ডেকাক দেওমৰনৈ স্বাস্থ্য কেন্দ্ৰলৈ নিয়ে যদিও চিকিৎসকে উন্নত চিকিৎসাৰ বাবে মঙলদৈ অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰে। মঙলদৈ অসামৰিক চিকিৎসালয়লৈ নিয়াৰ পথতে ছাত্ৰজনৰ মৃত্যু হয়। ভৰেশ ডেকাৰ মৃত্যুৰ খবৰ লাভৰ পাছতে বিদ্যালয়খনত উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হয়। পথৰুঘাট আৰক্ষী চকীৰ আৰক্ষী বিদ্যালয়খনত উপস্থিত হৈ পৰিস্থিতি নিয়ন্ত্ৰণ কৰে। বিদ্যালয়খনৰ প্ৰত্যক্ষদৰ্শী শিক্ষাৰ্থীসকলে সংবাদ মাধ্যমৰ আগত আগবঢ়োৱা ভাষ্য মতে ভৰেশ ডেকাক কালিও বুঢ়ীনগৰত টিউচনলৈ যাওতে সেই ছাত্ৰজনে প্ৰহাৰ কৰি বিভিন্ন ভাবুকি দিছিল। এনে কাৰণত আজি বিদ্যালয়ৰ প্ৰথম ঘণ্টাৰ পিছতে বাহিৰলৈ পানী খাবলৈ ওলাই যাওতে নৱম শ্ৰেণীৰ কোঠাৰ সন্মুখত ভৰেশে ছাত্ৰজনক আগছি ধৰি প্ৰশ্ন কৰিছিল। উদণ্ড ছাত্ৰজনে ‘লাগিবি নেকি’ বুলি কৈয়েই ভৰেশক প্ৰহাৰ কৰে। অভিযোগ মতে, দশম শ্ৰেণীৰ ছাত্ৰগৰাকীৰ প্ৰহাৰত প্ৰাণ হেৰুৱাবলগীয়া হয় ভৰেশে। একাংশ লোকে সন্দেহ কৰা মতে প্ৰেমজনিত কাৰণত দুয়ো ছাত্ৰৰ মাজত চলি আহিছিল সংঘাত। দৰঙৰ আৰক্ষী অধীক্ষক প্ৰকাশ সোণোৱাল বিদ্যালয়ত উপস্থিত হৈ ঘটনাৰ তদন্ত আৰম্ভ কৰিছে। আৰক্ষীয়ে ঘটনা সন্দৰ্ভত অভিযুক্ত ছাত্ৰজনক আটক কৰাৰ লগতে সোধ-পোছৰ বাবে বিদ্যালয়খনৰ সাতগৰাকী শিক্ষক-শিক্ষয়িত্ৰী আৰু চাৰিগৰাকী ছাত্ৰকো থানালৈ আনে। বিদ্যালয়খনৰ শিক্ষক-শিক্ষয়িত্ৰীসকলৰ চূড়ান্ত অনুশাসনহীনতাৰ বাবেই বিদ্যালয়খনত এনে মৰ্মান্তিক ঘটনা সংঘটিত হোৱা বুলি ৰাজহুৱা অভিযোগ উত্থাপন হৈছে। অভিযুক্ত ছাত্ৰজনে কালি টিউচনলৈ যাওতে প্ৰহাৰ কৰা সন্দৰ্ভত ভৰেশে পিতৃ মাতৃক অৱগত কৰিছিল। এই লৈ বিষয়টো শিক্ষক-শিক্ষয়িত্ৰীক অৱগত কৰিবলৈ ভৰেশৰ পিতৃ হেমচন্দ্ৰ ডেকা আজি বিদ্যালয়লৈ যাব বিচাৰিছিল যদিও পুত্ৰ ভৰেশে বাধা প্ৰদান কৰিছিল। উল্লেখ্য যে দিনদিয়েক পূৰ্বে মোবাইলৰ যুগৰ পূৰ্বৰ সময়ক লৈ ইউটিউবত এখন অসমীয়া ৱেবছিৰিজ বেছ জনপ্ৰিয় হৈ পৰিছিল। চুপাচুপি নামৰ এই ছিৰিজখনত দশম শ্ৰেণীত পঢ়ি থকা ‘অধম’ তিনি ছাত্ৰই বিভিন্ন অপকৰ্মত লিপ্ত হৈ পৰা ঘটনা সুন্দৰকৈ দেখুৱাই দিছিল। আজি দৰঙৰ বিদ্যালয়খনত সংঘটিত এই ঘটনাৰ পিছতে বহুতেই ছ'চিয়েল মিডিয়াত চুপাচুপি শীৰ্ষক ছিৰিজখনক লৈয়ো পুনৰ চৰ্চা কৰা দেখা গৈছে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# অস্কাৰলৈ যাব ‘লাপতা

বাবেই ২০২৫ বৰ্ষত ভাৰতক প্ৰতিনিধিত্ব কৰিব কিৰণ ৰাওৰ বহুল চৰ্চিত ছবি 'লাপাতা লেডিজ'-এ। সোমবাৰে এই কথা প্ৰকাশ কৰিছে ফিল্ম ফেডাৰেচন অৱ ইণ্ডিয়াই। ফেডাৰচনে প্ৰকাশ কৰা বিবৃতি অনুসৰি ২০২৫ চনত অস্কাৰত বিদেশী ভাষাৰ চলচ্চিত্ৰ শিতানত ভাৰতৰ পৰা প্ৰতিদ্বন্দ্বিতা কৰিব ‘লাপাতা লেডিজ’য়ে। ইয়াৰ লগতে ছবিখনৰ বিষয়ে লিখা আছে, “সমৰ্পণ আৰু কৰ্তৃত্ববোধৰ সংমিশ্ৰণেৰে নিৰ্মিত ভাৰতীয় নাৰী। 'লাপটা লেডিজ'ৰ শক্তিশালী চৰিত্ৰৰ মাধ্যমেৰে সেই বক্তব্যকেই প্ৰকাশ কৰা হৈছে।” সংস্থাটোৱে দাবী কৰিছে যে ছবিখনে কেৱল ভাৰতীয় মহিলাসকলৰ বাবেই নহয়, বিশ্বৰ মহিলাসকলৰ বাবেও এক গুৰুত্বপূৰ্ণ বাৰ্তা প্ৰেৰণ কৰিছে। উল্লেখ্য যে, অহা বছৰ অনুষ্ঠিত হ’বলগীয়া অস্কাৰ বঁটাৰ দৌৰত মুঠ ২৯ খন ভাৰতীয় চিনেমাই প্ৰৱেশ কৰিছিল। ইয়াৰ ভিতৰত আছিল 'এনিমেল', ‘শ্ৰীকান্ত’, তামিল ছবি 'বাঝাই', মালায়লম ছবি 'অট্টম' আৰু এইবাৰৰ কাঁ চলচ্চিত্ৰ মহোৎসৱত গ্ৰেণ্ড পিক্স বিজয়ী 'অল উই ইমেজিন এজ লাইট'ৰ দৰে ছবি। কিন্তু এই সকলো শ্ৰেষ্ঠ ছবিৰ মাজত জাহ্নু বৰুৱাৰ অধীনস্থ জুৰী ব’ৰ্ডে 'লাপাতা লেডিজ'কে অস্কাৰৰ প্ৰতিনিধিত্বৰ বাবে বাছনি কৰে। ইফালে 'লাপাতা লেডিজ'ক অস্কাৰত দেশক প্ৰতিনিধিত্ব কৰিবলৈ বাছনি কৰাৰ পিছতে আনন্দ ব্যক্ত কৰি ছবিখনৰ পৰিচালক কিৰণ ৰাওৱে কয়, ‘আমাৰ ছবিখন অস্কাৰৰ বাবে নিৰ্বাচিত হোৱাত মই গৌৰৱান্বিত। এই সন্মান আমাৰ সমগ্ৰ দলৰ অক্লান্ত প্ৰচেষ্টাৰ ফল। আশাকৰোঁ ভাৰতৰ দৰেই ছবিখনে সমগ্ৰ বিশ্বৰ দৰ্শকৰ হৃদয়ত স্থান দখল কৰিব।” প্ৰণিধানযোগ্য যে, যোৱা মাৰ্চ মাহত মুক্তি লাভ কৰিছিল কিৰণ ৰাওৰ ‘লাপাতা লেডিজ’। মুক্তিৰ পিছতে দৰ্শক আৰু ছবি সমালোচকৰ পৰা অভূতপূৰ্ব সমাদৰ লাভ কৰিবলৈ সক্ষম হৈছিল এই ছবিখনে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# লেবাননত শতাধিক নিহত

ইটোৰ পিছত সিটো বিস্ফোৰণে আতংকৰ সৃষ্টি কৰাৰ পিছতে এইবাৰ সংঘটিত হ’ল ইজৰাইলৰ আকাশী আক্ৰমণ। গাজাত পেলাইষ্টাইনৰ সৈতে অব্যাহত থকা যুঁজৰ মাজতে লেবাননৰ শাসকীয় হিজবুল্লাহ সংগঠনৰ কেইবাটাও ঘাটিত সোমবাৰে আকাশী আক্ৰমণ সংঘটিত কৰে ইজৰাইলে। ইজৰাইলৰ প্ৰতিৰক্ষা বাহিনীয়ে জনোৱা মতে, সোমবাৰে পুৱা ৬.৩০ বজাৰ পৰা (স্থানীয় সমায়নুসৰি ৩.৩৩০ বজাৰ পৰা) ৭.৩০ বজালৈ হিজবুল্লাহৰ ৩০০ টা লক্ষ্যস্থানত ১৫০ টা মিছাইল আৰু ৰকেট আক্ৰমণ কৰে ইজৰাইলে। প্ৰতিবেদন অনুসৰি, এই আক্ৰমণত ১৮২ জন লোকৰ মৃত্যু ঘটাৰ লগতে কমেও ৭০০ জন লোক আহত হৈছে। ইফালে জানিব পৰা মতে, এই আক্ৰমণ সংঘটিত কৰাৰ পূৰ্বে লেবাননৰ জনতাক ফোনত এটা আৰৱী ভাষাৰ ৰেকৰ্ডিং প্ৰেৰণ কৰি সুৰক্ষিত স্থানত আশ্ৰয় ল’বলৈ সতৰ্কবাণী প্ৰেৰণ কৰিছিল ইজৰাইলে। প্ৰতিবেদন অনুসৰি ইজৰাইলৰ বিমান আক্ৰমণৰ পিছতে সোমবাৰে লেবাননে দুদিনৰ বাবে সকলো বিদ্যালয় আৰু মহাবিদ্যালয় বন্ধ কৰি দিছে। সতৰ্কতামূলক ব্যৱস্থা হিচাপে মানুহক যিমান পাৰি ঘৰতে থাকিবলৈ নিৰ্দেশ দিয়া হৈছে। ইফালে লেবাননৰ স্বাস্থ্য মন্ত্ৰালয়ে দক্ষিণ লেবাননৰ সকলো চিকিৎসালয়কে অতি জৰুৰী অস্ত্ৰোপচাৰৰ বাহিৰে অন্য চিকিৎসা সেৱা বাতিল কৰিবলৈ নিৰ্দেশ দিছে। আক্ৰমণত আহতসকলক তৎকালীন চিকিৎসা সেৱা প্ৰদানৰ বাবেই এই নিৰ্দেশ জাৰি কৰা হৈছে। অন্যহাতে ইজৰাইলৰ আকাশী আক্ৰমণৰ প্ৰত্যুত্তৰ দি হিজবুল্লাহেও সংঘটিত কৰিছে আক্ৰমণ। লেবাননৰ শাসকীয় সংগঠনটোৰ মতে, হিজবুল্লাহৰ যুঁজাৰু বিমানে ইজাইলৰ এটা অস্ত্ৰ কাৰখানাত বোমাক্ৰমণ কৰিছে। অৱশ্যে এই আক্ৰমণত ইজৰাইলৰ ক্ষয়-ক্ষতিৰ বিষয়ে কোনো তথ্য লাভ কৰা হোৱা নাই। মন কৰিবলগীয়া যে, লেবাননৰ চৰকাৰী সংবাদ মাধ্যমৰ মতে, বিমান আক্ৰমণৰ পূৰ্বে ইজৰাইলে লেবাননৰ জনসাধাৰণৰ মোবাইল নম্বৰলৈ সতৰ্কবাণী প্ৰেৰণ কৰিছিল। এই বাৰ্তাত অসুৰক্ষিত অঞ্চলসমূহ চিনাক্ত কৰি নিৰাসীসকলক সেই ঠাই খালী কৰিবলৈ কোৱা হৈছিল। ইজৰাইলী সেনাই লেবাননৰ জনসাধাৰণক হিজবুল্লাহৰ ঘাটিৰ আশে-পাশে থকা অঞ্চলৰ পৰা আঁতৰি গৈ নিৰাপদ স্থানলৈ যাবলৈ সতৰ্কবাণী প্ৰেৰণ কৰিছিল। প্ৰায় এবছৰ ধৰি গাজাত চলি থকা যুদ্ধৰ মাজতে লেবাননৰ জনসাধাৰণলৈ ইজৰাইলৰ সেনাবাহিনীৰ এইটোৱেই আছিল প্ৰথম আনুষ্ঠানিক সতৰ্কবাণী। দৰাচলতে ইৰাণ সমৰ্থিত হিজবুল্লাহে গাজাত ইজৰাইল আৰু পেলেষ্টাইনৰ মাজত চলি থকা যুদ্ধত যোগদান কৰিছে। হিজবুল্লাহৰ সেনাই বিগত কিছুদিনত গাজাৰ সমৰ্থনত ইজৰাইলৰ ওপৰত কেইবাবাৰো আক্ৰমণ চলাইছে। যোৱা সপ্তাহৰ মঙলবাৰ আৰু বুধবাৰে হিজবুল্লাহৰ সদস্যসকলৰ পেজাৰ আৰু ৱাকি টকীত বিস্ফোৰণ ঘটিছিল। এতিয়ালৈকে এই বিস্ফোৰণত ৪০ জন লোকৰ মৃত্যু হোৱা বুলি জানিব পৰা গৈছে। আনহাতে ৩ হাজাৰৰো অধিক লোক আহত হৈছে। এই আক্ৰমণৰ বাবে লেবাননে ইজৰাইলক জগৰীয়া কৰিছে। একে সময়তে ইজৰাইলে আক্ৰমণৰ অভিযোগ নাকচ কৰি কোনো আনুষ্ঠানিক বিবৃতি দিয়া নাই। অন্যহাতে লেবাননত ইজৰাইলৰ বিমান আক্ৰমণৰ মাজতে ইৰাণে নিজৰ আৰ্মী ৰিভল্যুচনেৰী গাৰ্ড কৰ্পছৰ সদস্যসকলক কোনো ধৰণৰ যোগাযোগৰ যন্ত্ৰ ব্যৱহাৰ নকৰিবলৈ কয়। সংবাদ সংস্থা ‘ৰয়টাৰ্ছ’ৰ প্ৰতিবেদন অনুসৰি আই আৰ জি চিয়েও নিজৰ সকলো ইলেক্ট্ৰনিক ডিভাইচ পৰীক্ষা কৰি আছে, যাতে যিকোনো আক্ৰমণৰ পৰা হাত সাৰিব পৰা যায়।

প্ৰথম পৃষ্ঠাৰ পৰা...

# ‘এআই’ মানে আমেৰিকান

ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে। উল্লেখ্য যে, সোমবাৰে আমেৰিকা ভ্ৰমণৰ সময়ত প্ৰধানমন্ত্ৰী মোদীয়ে নাছাউ কলিজিয়াম এৰিনাত ভাৰতীয় সমাজক সম্বোধন কৰে। সেই সময়ত ভাৰত-আমেৰিকাৰ সম্পৰ্কৰ কথা দোহাৰি মোদীয়ে কয় যে ভাৰত আৰু আমেৰিকাৰ মাজৰ সম্পৰ্ক শক্তিশালী হৈ আহিছে আৰু এই অংশীদাৰিত্ব “গোলকীয় কল্যাণ বাবে”। মোদীয়ে ঘোষণা কৰে যে ছিয়াটলত নতুন কনছুলেট মুকলি হৈছে, আৰু বষ্টন আৰু লছ এঞ্জেলছত আৰু দুটা কনছুলেট অতি সোনকালে মুকলি হ’ব। প্ৰধানমন্ত্ৰীয়ে উল্লেখ কৰে যে জি-২০ সন্মিলনত ভাৰতৰ উদ্যোগত আফ্ৰিকান ইউনিয়নৰ স্থায়ী সদস্যপদে বিশ্বৰ মঞ্চত ভাৰতৰ ক্ৰমবৰ্ধমান প্ৰভাৱৰ ওপৰত আলোকপাত কৰে। তেওঁ কয়, "ভাৰতে যেতিয়া কথা কয়, তেতিয়া বিশ্বই শুনে। আজি "যুদ্ধৰ যুগ নহয়" বাৰ্তাটোক বিশ্বই গুৰুত্বসহকাৰে লৈছে।” মোদীয়ে লগতে কয় যে ভাৰতে সমগ্ৰ বিশ্বৰ যিকোনো সংকটৰ সময়ত প্ৰথম সঁহাৰিদাতা হিচাপে কাম কৰি আহিছে, আৰু ক’ভিড মহামাৰীৰ সময়ত ১৫০ খনতকৈও অধিক দেশলৈ ভেকচিন আৰু সাহায্য প্ৰেৰণ কৰিছে। ইফালে প্ৰধানমন্ত্ৰী মোদীয়ে নিউয়ৰ্কত গুগলৰ চিইঅ’ সুন্দৰ পিচাই, এড’বৰ চিইঅ’ শান্তনু নাৰায়ণকে ধৰি আমেৰিকাৰ শীৰ্ষ প্ৰযুক্তি কোম্পানীসমূহৰ চিইঅ’সকলৰ সৈতে এক গুৰুত্বপূৰ্ণ বৈঠকত অংশগ্ৰহণ কৰে। বৈঠকত ভাৰত আৰু আমেৰিকাৰ মাজত কৃত্ৰিম বুদ্ধিমত্তা (এআই), কোৱাণ্টাম কম্পিউটিং, আৰু অৰ্ধপৰিবাহীৰ ক্ষেত্ৰত অংশীদাৰিত্ব বৃদ্ধিৰ উপায়ৰ বিষয়ে আলোচনা কৰা হয়। মোদীয়ে কয়, 'বিশ্বৰ বাবে এ আইৰ অৰ্থ হৈছে ‘কৃত্ৰিম বুদ্ধিমত্তা’, কিন্তু মোৰ মতে এ আইৰ অৰ্থ হৈছে ‘আমেৰিকান-ইণ্ডিয়ান’।’ ইয়াৰ উপৰিও প্ৰধানমন্ত্ৰী মোদীয়ে নিউয়ৰ্কত পেলেষ্টাইনৰ ৰাষ্ট্ৰপতি মাহমুদ আব্বাছক সাক্ষাৎ কৰি ইজৰাইল-পেলেষ্টাইন বিষয়ত ভাৰতৰ স্থিতি পুনৰবাৰ উল্লেখ কৰে। তেওঁ কুৱেইটৰ ক্ৰাউন প্ৰিন্স শ্বেইখ চাবাহ খালিদ আল-হামাদ আল-ছাবাহ আৰু নেপালৰ প্ৰধানমন্ত্ৰী কে পি অলিৰ সৈতেও বৈঠকত মিলিত হয় আৰু ফাৰ্মা, খাদ্য প্ৰক্ৰিয়াকৰণ, প্ৰযুক্তি আৰু শক্তি খণ্ডত দ্বিপাক্ষিক সম্পৰ্ক আৰু সহযোগিতা শক্তিশালী কৰাৰ বিষয়ে আলোচনা কৰে। প্ৰধানমন্ত্ৰীগৰাকীয়ে এই আমেৰিকা ভ্ৰমণত ৰাষ্ট্ৰসংঘৰ 'ছআমিট অব দ্য ফিউছাৰ' কাৰ্যসূচীতো ভাষণ প্ৰদান কৰে। তেওঁ কয় যে বিশ্বৰ শান্তি আৰু সুৰক্ষাৰ বাবে সন্ত্ৰাসবাদ এক ভয়ংকৰ বিপদ। মোদীয়ে ছাইবাৰ আক্ৰমণ আৰু গ্লোবেল ডিজিটেল গভৰ্নেন্স সন্দৰ্ভতো মত আগবঢ়ায়।

# বিক্ৰমাসিংঘেৰ মহাপতন

■ **প্ৰথম পৃষ্ঠাৰ পৰা...**

বিদায়ী ৰাষ্ট্ৰপতি ৰনিল বিক্ৰমাসিংহেক বৃহৎ ব্যৱধানত পৰাস্ত কৰি ৰাষ্ট্ৰপতি নিৰ্বাচিত হয় বাওঁপন্থী নেতা অনুৰকুমাৰ দিশানায়েকে। এই ঘোষণা কৰিছে শ্ৰীলংকাৰ নিৰ্বাচন আয়োগে। উল্লেখ্য যে, একাংশ ৰাজনৈতিক বিশ্লেষকে এইবাৰ শ্ৰীলংকাৰ ৰাষ্ট্ৰপতি নিৰ্বাচনত পৰিৱৰ্তন বিচাৰি সাধাৰণ জনতাই ভোট দিয়া বুলি মন্তব্য কৰে। বিশেষকৈ তীব্ৰ আৰ্থিক সংকটৰ সৈতে যুঁজি থকা দেশখনৰ জনসাধাৰণে এইবাৰ নিৰ্বাচনত প্ৰত্যাখ্যান কৰিছিল চীন আৰু ভাৰতৰ সৈতে ঘনিষ্ঠ সম্পৰ্ক থকা নেতাসকলক। ইয়াৰ বিপৰীতে দেশখনৰ অৰ্থনৈতিক প্ৰত্যাৱৰ্তনৰ বাবে অনুৰা দিশানায়েকৰ ওপৰত ভৰষা দেখুৱাই শ্ৰীলংকাবাসীয়ে। প্ৰণিধানযোগ্য যে, এ কে ডি নামেৰে জনপ্ৰিয় অনুৰা দিছছানায়েকে নিৰ্বাচনত ৰাষ্ট্ৰীয় জনগণ শক্তিৰ প্ৰাৰ্থীৰূপে অৱতীৰ্ণ হৈছিল। জনতা বিমুক্তি পেৰেমুনা দলৰ নেতা তথা কলম্বোৰ পৰা সংসদ সদস্য অনুৰাই ৰাজনীতি আৰম্ভ কৰিছিল ছাত্ৰাৱস্থাৰ পৰাই। ২০১৯ চনৰ ৰাষ্ট্ৰপতি নিৰ্বাচনত তেওঁ কেৱল মাত্ৰ ৩ শতাংশ ভোট লাভ কৰিছিল। কিন্তু এইবাৰৰ নিৰ্বাচনত তেওঁ ৪২ শতাংশতকৈও অধিক ভোট লাভ কৰি ৰাষ্ট্ৰপতি নিৰ্বাচিত হয়। নিৰ্বাচনত জয়লাভৰ পিছতে অনুৰাই নিজৰ এক্স হেণ্ডেলত লিখিছে, 'আমি যুগ যুগ ধৰি দেখি অহা সপোনটো অৱশেষত বাস্তৱত পৰিণত হ'ল। কিন্তু এই সফলতা কাৰো ব্যক্তিগত সাফল্য নহয় নহয়, এয়া লাখ লাখ সাধাৰণ জনতাৰ সাফল্য। আমাৰ প্ৰতি আগ্ৰহেৰে বাট চাই থকা আৰু আমাক আগুৱাই নিয়া লক্ষ লক্ষ নয়নৰ সৈতে মিলি আমি শ্ৰীলংকাৰ নতুন ইতিহাস লিখিম।' প্ৰণিধানযোগ্য যে, চলিত বৰ্ষৰ আৰম্ভণিতে ভাৰত ভ্ৰমণ কৰিছিল অনুৰা দিছছানায়াকেয়ে। কিন্তু ভাৰত বা চীনৰ ওচৰত যে তেওঁ বৈশ্যতা স্বীকাৰ নকৰে, সেয়া পূৰ্বেই স্পষ্ট কৰি দিছিল।

# শিশু পৰ্ণ'গ্ৰাফী চোৰা

■ **প্ৰথম পৃষ্ঠাৰ পৰা...**

দেশৰ মুখ্য ন্যায়াধীশ ডি ৱাই চন্দ্ৰচূড় আৰু ন্যায়াধীশ জে বি পৰ্দিৱালাৰ সংমণ্ডল বিচাৰপীঠে। শিশু পৰ্ণগ্ৰাফী চোৰাৰ সন্দৰ্ভত মাদ্ৰাজ উচ্চ ন্যায়ালয়ৰ ৰায়কো খাৰিজ কৰে উচ্চতম ন্যায়ালয়ে। দেশৰ শীৰ্ষ ন্যায়ালয়ে এই সন্দৰ্ভত মাদ্ৰাজ উচ্চ ন্যায়ালয়ে "গুৰুতৰ ভুল" কৰা বুলি উল্লেখ কৰিছে। ইয়াৰ উপৰিও উচ্চতম ন্যায়ালয়ে আদালতৰ কাৰ্য্যবিধিত 'শিশু পৰ্ণগ্ৰাফী' শব্দটো ব্যৱহাৰ কৰাত নিষেধাজ্ঞা আৰোপ কৰিছে। ইয়াৰ পৰিৱৰ্তে 'চাইল্ড চেক্সুৱেলী এবিউছড এণ্ড এক্সপ্লয়েটেটিভ মেটেৰিয়েল' (শিশুৰ যৌন নিৰ্যাতন আৰু শোষণমূলক সামগ্ৰী) লিখিবলৈ নিৰ্দেশ দিয়ে সৰ্বোচ্চ ন্যায়ালয়ে। উল্লেখ্য যে, এজন ২৮ বছৰীয়া যুৱকৰ বিৰুদ্ধে শিশু পৰ্ণগ্ৰাফী চোৰা আৰু নিজৰ ফোনত ডাউনলোড কৰাৰ অভিযোগ উত্থাপন হৈছিল। এই অভিযোগ দাখিল হোৱাৰ পিছতে মাদ্ৰাজ উচ্চ ন্যায়ালয়ৰ কাষ চাপিছিল অভিযুক্তই। গোচৰটোত তেওঁৰ অনুৰোধ আছিল যে শিশু পৰ্ণগ্ৰাফী চোৱাৰ পিছতো তেওঁ কাৰো লগত শ্বেয়াৰ কৰা নাছিল বা আপলোড কৰা নাছিল। এই আবেদনৰ পিছতে মাদ্ৰাজ উচ্চ ন্যায়ালয়ে লোকজনৰ বিৰুদ্ধে চলি থকা অপৰাধমূলক কাৰ্য্যবিধি বাতিল কৰে। মাদ্ৰাজ উচ্চ ন্যায়ালয়ে নিজৰ ৰায়ত কয় যে তথ্য প্ৰযুক্তি আইনৰ ৬৭বি ধাৰা অনুসৰি শিশুৰ যৌন সম্পৰ্কীয় সামগ্ৰী প্ৰকাশ, ভাগ-বতৰা বা সৃষ্টি কৰাটো অপৰাধ। কিন্তু কেৱল সেই ছবিখন দেখা বা ৰাখিলে অপৰাধ নহয়। উচ্চ ন্যায়ালয়ৰ এই যুক্তিৰ ভিত্তিত অভিযুক্তক দোষমুক্ত কৰা হয়। কিন্তু মাদ্ৰাজ উচ্চ ন্যায়ালয়ৰ এই ৰায়ৰ পিছতে সমগ্ৰ দেশতে সমালোচনাৰ সৃষ্টি হয়। উচ্চ ন্যায়ালয়ৰ ৰায়ক প্ৰত্যাহ্বান জনাই কেইবাটাও গোচৰ ৰুজু হয় উচ্চতম ন্যায়ালয়ত। সেই প্ৰসংগত উচ্চতম ন্যায়ালয়ে মাদ্ৰাজ উচ্চ ন্যায়ালয়ৰ ৰায়ক "গুৰুতৰভাৱে ত্ৰুটিপূৰ্ণ" বুলি অভিহিত কৰে আৰু শিশু পৰ্ণগ্ৰাফী চোৱা বা সংৰক্ষণ কৰাটোও প'ক্স' আইনৰ অধীনত অপৰাধ বুলি মন্তব্য কৰে। ইফালে উচ্চতম ন্যায়ালয়ৰ এই প্ৰতিক্ৰিয়াৰ পিছতে মাদ্ৰাজ উচ্চ ন্যায়ালয়েও আবেদনকাৰীৰ বিৰুদ্ধে পুনৰ অপৰাধমূলক কাৰ্য্যবিধি আৰম্ভ কৰাৰ নিৰ্দেশ দিছে। উচ্চতম ন্যায়ালয়ৰ আজিৰ এই নিৰ্দেশক আদৰণি জনাইছে বিভিন্ন দল-সংগঠনে।

# লখিমপুৰত এজাহাৰ

■ **প্ৰথম পৃষ্ঠাৰ পৰা...**

ৰুজু কৰিছে কংগ্ৰেছে। ১১ ছেপ্টেম্বৰত বিজেপি নেতা তালৱিন্দৰ সিং মাৰৱাহে ৰাহুল গান্ধীক ভাবুকি দিয়ে। তালৱিন্দৰ সিং মাৰৱাহে কয় "ৰাহুল গান্ধী চিধা হ, নহ'লে অনাগত দিনত তোমাৰো এনেকুৱা অৱস্থা কৰা হ'ব যি অৱস্থা তোমাৰ আইতাৰ কৰা হৈছিল।" ৰাজ্যসভাৰ সাংসদ অনিল বণ্ডে ৰাহুল গান্ধীৰ 'জিভা 'জ্বলাই' দিয়াৰ আহ্বান জনাইছিল। যিটো পৰিয়ালৰ দুগৰাকীকৈ সদস্য আততায়ীৰ গুলীত শ্বহীত হৈছিল সেইটো পৰিয়ালৰ ৰাজনীতিত সক্ৰিয় এগৰাকী সদস্যক প্ৰাণ লোৱাৰ ভাবুকি দিয়া কাৰ্যক সহজে ন'লৈ কংগ্ৰেছে কঠোৰ স্থিতি গ্ৰহণ কৰে। কংগ্ৰেছ দলে দেশৰ বহু আৰক্ষী থানাত গোচৰ ৰুজু কৰাৰ দৰেই আজি অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰাৰ নেতৃত্বত এজাহাৰ দাখিল কৰিছে। আজি লখিমপুৰ সদৰ আৰক্ষী থানাত দ'লে-বলে উপস্থিত হৈ এজাহাৰ দাখিল প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰাই। সংবাদ মাধ্যমৰ আগত ৰাহুল গান্ধীৰ বিৰুদ্ধে বিজেপি নেতাই প্ৰদান কৰা ভাবুকিক কংগ্ৰেছে ৰাজ্যৰ বিভিন্ন জিলাৰ লগতে আজি লখিমপুৰত এজাহাৰ দাখিল কৰা বুলি প্ৰকাশ কৰে প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰাই। উল্লেখ্য যে, কংগ্ৰেছৰ প্ৰাক্তন ৰাষ্ট্ৰীয় অধ্যক্ষ তথা বিৰোধী দলপতি ৰাহুল গান্ধীৰ আইতাক ইন্দিৰা গান্ধীৰ আৰু পিতৃ ৰাজীৱ গান্ধী আততায়ীৰ আক্ৰমণত শ্বহীদ হৈছিল।

# গৰম! দুজনৰ মৃত্যু

■ **প্ৰথম পৃষ্ঠাৰ পৰা...**

শুকাই গৈছে। অত্যাধিক গ্ৰীষ্ম প্ৰৱাহে অসহ্য পৰিস্থিতিৰ সৃষ্টি কৰিছে। তাৰ মাজতে উজনি অসমৰ যোৰহাট জিলাৰ পৰা আহিছে এটা বেদনাদায়ক খবৰ। যোৰহাট জিলাৰ অসহ্য গৰমত দুজনকৈ লোকৰ প্ৰাণ যোৱাৰ খবৰ পোৱা গৈছে। যোৰহাট নগৰত গৰমৰ বাবে দুগৰাকী লোকে প্ৰাণ হেৰুৱাইছে বুলি জানিব পৰা গৈছে। আজিৰ দিনটোত যোৰহাট নগৰৰ পদপথত দুটাকৈ মৃতদেহ উদ্ধাৰ হৈছে। দুয়োগৰাকী লোকে গৰমৰ বাবে মৃত্যুক আকোৱালি লোৱা বুলি সন্দেহ কৰা হৈছে। যোৰহাট নগৰৰ কাৰিকৰী শিক্ষা প্ৰতিষ্ঠান প্ৰিন্স অৱ ৱেলছৰ সন্মুখৰ পদপথত এটা আৰু জি.কে পেলেচ হোটেলৰ সন্মুখৰ পদপথত আন এটা মৃতদেহ উদ্ধাৰ হয়। নগৰখনৰ মাজমজিয়াৰ পদপথত দুজন লোকৰ মৃত্যু হয়। দুয়োগৰাকীৰ মৃতদেহ উদ্ধাৰ কৰি আৰক্ষীয়ে যোৰহাট চিকিৎসা মহাবিদ্যালয়ত মৰণোত্তৰ পৰীক্ষা কৰিছে। মৃত এজন লোক অঘৰী বুলি জানিব পৰা গৈছে। নগৰখনত ভিক্ষা মাগি জীৱন নিৰ্বাহ কৰিছিল। মৃত আন এজন লোক মুৰমুৰীয়া চাহ বাগিচাৰ বুলি জানিব পৰা গৈছে। মৃত দুয়োগৰাকী লোকৰ পৰিচয় উদ্ধাৰ কৰিব পৰা নাই। সোমবাৰে যোৰহাটত তাপমাত্ৰা আছিল ৩৯ ডিগ্ৰী। উল্লেখ্য যে দেওবাৰেই গৰমত ৰাজ্যত দুগৰাকী লোকে প্ৰাণ হেৰুৱাইছিল। প্ৰচণ্ড গৰমত তেজপুৰত গৰৈমাৰীৰ চলাগাঁৱৰ অনুপ কোঁচে ঘৰৰ মজিয়াত ঢলি পৰি মৃত্যুক আকোৱালি লয়। অনুপ কোঁচ তেজপুৰৰ বায়ু সেনা ঘাটিৰ অস্থায়ী কৰ্মচাৰীউ আছিল। অনুপ কোঁচক হাস্পতালত ভৰ্তি কৰোৱা হৈছিল যদিও চিকিৎসকে মৃত ঘোষণা কৰে। প্ৰচণ্ড গৰমত প্ৰাণ গৈছিল দেৰগাঁৱৰ আন এজন লোকৰ। দেৰগাঁৱৰ পৰিবহন নিগমৰ বাছস্থানৰ সমীপতে প্ৰাণ যায় যোৰহাট বৰমুকলিৰ কাকতিচুকৰ জীৱকান্ত পেগুৰ। দেওবাৰে দেৰগাঁৱৰ অসম পৰিবহন নিগমৰ বাছ আস্থানৰ সমীপৰ ৰাজপথত ঢলি পৰে পেগু। ৰাইজে পেগুক উদ্ধাৰ কৰি দেৰগাঁও সামূহিক চিকিৎসালয়লৈ নিয়ে যদিও চিকিৎসকে মৃত ঘোষণা কৰে। বিগত কেইবাদিন ধৰি উৎকট গৰম হৈ থকাৰ অন্তত সোমবাৰে বিয়লিৰ ভাগত বহু ঠাইত বৰষুণে পৰিৱেশ শীতল কৰে।

## হোজাইত কঠোৰ নিয়ম

# পূজাৰ বাবে জিলা প্ৰশাসনৰ বিশেষ নিৰ্দেশ

**ই-সংবাদ, মোৰাঝাৰ, ২৩ ছেপ্টেম্বৰঃ** সমাগত শাৰদীয় দুৰ্গা পূজাৰ বাবে হোজাই জিলা প্ৰশাসনে বিশেষ নিৰ্দেশনা জাৰি কৰিছে । হোজাইৰ জিলা সদৰ শংকৰদেৱ নগৰৰ আয়ুক্ত কাৰ্যালয়ত নতুন সভা গৃহত সমাগত দুৰ্গা পূজা উদযাপনৰ সৈতে জড়িত জিলা খনৰ সকলো পূজা সমিতি, জিলা আৰক্ষী প্ৰশাসন, অন্যান্য বিভাগৰ লগতে দুৰ্গা পূজা সমিতিৰ সৈতে হোৱা আলোচনাৰ অন্তত সমাগত দুৰ্গা পূজা উদযাপনৰ সময়ত সংশ্লিষ্ট সকলোৱে অনুসৰণ কৰিবলৈ এছ অ' পি প্ৰস্তুত কৰা কৰিছে । সেই এছ অ পি মতে, দুৰ্গা পূজা উদযাপন সমিতিসমূহে পূজা অনুষ্ঠিত কৰাৰ অনুমতিৰ বাবে চহৰ এলেকা আৰু এপিডিচিএলৰ প্ৰতিবেদনৰ ক্ষেত্ৰত বিদ্যুৎ বিভাগ, আৰক্ষী চকী, অগ্নিনিৰ্বাপক বাহিনীৰ তদন্তৰ প্ৰতিবেদনৰ সৈতে অহা ৩১ছেপ্টেম্বৰৰ ভিতৰত তেওঁলোকৰ সংশ্লিষ্ট চক্ৰ বিষয়াৰ কাৰ্যালয়ত আবেদন কৰাৰ লগতে স্বেচ্ছাসেৱকৰ তালিকা দাখিল কৰিব । দুৰ্গা পূজা সমিতি সমূহে নূন্যতম-৩০ আৰু ৬০জনলৈকে সদস্যৰ সম্পূৰ্ণ নাম, যোগাযোগ নং, ফটো আৰু ঠিকনা আদি প্ৰশাসনক জমা দিব লাগিব ।পূজা সমিতি সমূহে স্বেচ্ছাসেৱক সকলক পৰিচয় পত্ৰ প্ৰদান কৰিব লাগিব। জিলা খনৰ সকলো দুৰ্গা পূজা সমিতিয়ে চিচিটিভি স্থাপন কৰাটো বাধ্যতামূলক। পুৰুষ আৰু মহিলাৰ বাবে পৃথক প্ৰৱেশ/প্ৰস্থান পথ নিৰ্মাণ কৰিব লাগিব আৰু পৰ্যাপ্ত পৰিমাণে মহিলা স্বেচ্ছাসেৱক নিউজ কৰিব লাগিব। উদযাপন এলেকা আৰু ইয়াৰ আশে-পাশে সকলো সমিতিয়ে স্বচ্ছতা পালন কৰিব লাগিব। জেকা আৰু শুকান আৱৰ্জনা নিষ্কাষণৰ বাবে সেউজীয়া, হালধীয়া ডাষ্টবিন পৰ্যাপ্ত পৰিমাণে পৃথকে ৰাখি নিয়মিতভাৱে পৰিষ্কাৰ কৰিব লাগিব। পুৱা ১২:০০ বজাৰ ভিতৰত পূজা মণ্ডপৰ চৌহদ পৰিষ্কাৰ কৰি জাবৰ-জোঁথৰ পৰিষ্কাৰ কৰিব লাগিব ।সমিতি আৰু স্বেচ্ছাসেৱকসকলৰ দিনৰ ভাগতো মণ্ডপ পৰিষ্কাৰ কৰি ৰাখিব লাগিব। জিলাৰ সকলো পূজা সমিতিয়ে নিশা ১১:০০ বজাত ভক্তৰ বাবে প্ৰৱেশ পথ বন্ধ কৰিব লাগিব। পূজা উদযাপনৰ সময়ত আৰু বিশেষভাৱে ৰাতি উচ্চ শব্দ যুক্ত মাইক ব্যৱহাৰ কৰিব নোৱাৰিব। পৌৰসভাই বিসৰ্জনত সমিতিসমূহক সহায় কৰিবলৈ ২৫ জন শাৰীৰিকভাৱে সুস্থ শ্ৰমিকৰ ব্যৱস্থা কৰিব। পূজাৰ লগত জড়িত যিকোনো সাংস্কৃতিক কাৰ্যসূচীৰ বাবে জিলা প্ৰশাসনৰ পৰা পৃথক অনুমতি লব লাগিব।

# অসমৰ ঐতিহ্যমণ্ডিত শ্ৰীশ্ৰীআঠখেলীয়া নামঘৰত সংঘটিত চুৰিকাণ্ড

## চোৰে নিলে হাজাৰ টকীয়া এল ই ডি লাইট

**ই-সংবাদ, গোলাঘাট, ২৩ ছেপ্টেম্বৰঃ** এইবাৰ গোলাঘাটৰ ঐতিহ্যমণ্ডিত শ্ৰীশ্ৰীআঠখেলীয়া নামঘৰত চুৰি কাৰ্য সংঘটিত হৈছে । চোৰে নামঘৰৰ নৱনিৰ্মিত সিংহদ্বাৰৰ সন্মুখত থকা কেইবা হাজাৰ টকীয়া এটা এশ ৱাৰ্টৰ এল ইডি ফ্লাড লাইটৰ লগতে নামসিংহৰ তলত থকা নাৰিকল ঘটৰ পৰা দুখন গামোছা চোৰে লৈ যায়। উল্লেখযোগ্য যে গোলাঘাটৰ অশ্লেষা খাউণ্ড স্মৃতি ন্যাসৰ উদ্যোগত প্ৰায় ৩৫ লাখ টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰা সিংহদ্বাৰভাগি পবিত্ৰ ভাদ মাহৰ পহিলা দিনা ৰাজ্যৰ বিত্তমন্ত্ৰী অজন্তা নেওগে উদঘাটন কৰিছিল। উদঘাটনৰ পিছতে নৱনিৰ্মিত সিংহদ্বাৰৰ সন্মুখত ন্যাসে পোহৰৰ কাৰণে কেইবা হাজাৰ টকীয়া এশ ৱাৰ্টৰ চাৰিটা এল ই ডি ফ্লাড লাইট সংস্থাপন কৰিছিল । তাৰে এটা পোহৰ চাকি দেওবাৰে চোৰে লৈ যায় । কেৱল তাতে ক্ষান্ত নাথাকি চোৰে সিংহদ্বাৰৰ দুয়োফালে নামসিংহৰ তলত থকা নাৰিকল ঘটকৰ পৰা দুখন গামোচা লৈ যায় । ইয়াকে লৈ অঞ্চলটোত তীব্ৰ প্ৰতিক্ৰিয়া সৃষ্টি হৈছে। নামঘৰৰ কৰ্ণধাৰ সমিতি, অশ্লেষা খাউণ্ড স্মৃতি ন্যাস আৰু ভক্তিপ্ৰাণ ৰাইজে দুখ প্ৰকাশ কৰি প্ৰশাসনক শীঘ্ৰে দুস্কৃতিকাৰীক চিনাক্ত কৰি কৰায়ত্ত কৰিবলৈ দাবী জনাইছে ।




মধ্য মুগৰ বাৰপূজীয়া মিকিৰ ৰাজ্যত আহোম ৰাজত্বকালৰ প্ৰাচীন পৰম্পৰাৰ পুনৰোদ্ধাৰ, তিলক ডেকাক 'ৰজা' স্বীকৃতি প্ৰদান

# বৰপথাৰত পথ দুৰ্ঘটনা, ডাম্পাৰৰ তলত সোমাল বাইক

**ই-সংবাদ, সৰুপথাৰ, ২৩ ছেপ্টেম্বৰঃ** ধনশিৰি মহকুমাৰ বৰপথাৰ মৌজাৰ পাভজান গাঁৱত বৰপথাৰ-জামুগুৰি পথত আজি সংঘটিত এক পথ দুৰ্ঘটনাত দুজন লোক গুৰুতৰভাৱে আহত হোৱাৰ বাতৰি পোৱা গৈছে। জানিব পৰা মতে আজি দিনৰ প্ৰায় ১১-৩০ বজাত বৰপথাৰৰ দিশৰ পৰা বোজাই কঢ়িয়াই নিয়া এখন ডাম্পাৰৰ সৈতে উক্ত স্থানত এখন মটৰ চাইকেলৰ মুখামুখি সংঘৰ্ষ হোৱাৰ ফলত উক্ত দুৰ্ঘটনাটো সংঘটিত হয়। দুৰ্ঘটনাটোত খুমটাইৰ বুলি প্ৰকাশ দুগৰাকী যুৱক-যুৱতী ক্ৰমে নিতুল কুৰ্মী আৰু চুমি কুৰ্মী গুৰুতৰভাৱে আহত হোৱাৰ লগতে তেওঁলোকৰ মটৰ চাইকেলখন ডাম্পাৰখনৰ তলত সম্পূৰ্ণ সোমাই পৰে। পিছত বৰপথাৰ আৰক্ষী ঘটনাস্থলীত উপস্থিত হৈ তদন্ত আৰম্ভ কৰাৰ লগতে আহত লোকদুজনক স্থানীয় লোকৰ সহযোগত চিকিৎসালয়লৈ প্ৰেৰণ কৰে।

## উপস্থিত হেমেন দাস, লুৰিণজ্যোতি গগৈ

# ৰাজনীতিৰ প্ৰতিভূ, দেশৰ জ্যেষ্ঠ বামপন্থী নেতা য়েচুৰীক স্মৰণ

**ই-সংবাদ, ২৩ ছেপ্টেম্বৰঃ** ৰাজনীতিৰ প্ৰতিভূ, দেশৰ জ্যেষ্ঠ বামপন্থী নেতা তথা ভাৰতীয় কমিউনিষ্ট পাৰ্টিৰ (মাৰ্ক্সবাদী) সাধাৰণ সম্পাদক সীতাৰাম য়েচুৰীক আজি অসমৰ বিভিন্ন দল-সংগঠনে স্মৰণ কৰে। ৰাজ্যৰ আটাইকেইটা বিৰোধী দলৰ মুখ্য নেতাসকলৰ উপস্থিতিত আজি গুৱাহাটীত বিশেষ স্মৃতিচাৰণ সভা অনুষ্ঠিত হয়। চিপিআইএমৰ কেন্দ্ৰীয় সমিতিৰ সদস্য ইচফাকুৰ ৰহমানৰ সভাপতিত্বত অনুষ্ঠিত সভাত ৰাজ্যৰ প্ৰায় তিনি শতাধিক গুণী-জ্ঞানী লোক উপস্থিত থাকে। চিপিআইএমৰ ৰাজ্যিক সমিতিয়ে উজানবজাৰস্থিত বিবেকানন্দ কেন্দ্ৰত অনুষ্ঠিত কৰা সীতাৰাম য়েচুৰীৰ স্মৃতিচাৰণ সভাত পোন প্ৰথমে উপস্থিত নেতা আৰু বিভিন্ন ক্ষেত্ৰত বিশিষ্ট লোকসকলে য়েচুৰীৰ প্ৰতিচ্ছবিত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। সভাত অসম জাতীয় পৰিষদৰ সভাপতি লুৰীণজ্যোতি গগৈ, ৰাজ্যৰ জ্যেষ্ঠ বামপন্থী নেতা হেমেন দাস, উদ্ধৱ বৰ্মন, সাংসদ অজিত কুমাৰ ভূঞা, সুপ্ৰকাশ তালুকদাৰ, প্ৰাক্তন বিধায়ক মুনীনমহন্ত, কংগ্ৰেছৰ গুণ গগৈ, এনচিপিৰ পৰেশ বৰুৱা, চিপিআই এম-এলৰ পংকজ কুমাৰ দাসসহ বিৰোধী দলসমূহৰ কেইবাগৰাকী নেতা উপস্থিত থাকে। অসম জাতীয় পৰিষদৰ সভাপতি লুৰীণজ্যোতি গগৈয়ে কয় যে মূল্যবোধৰ ৰাজনীতিৰ আধাৰ গঢ়ি তুলিবলৈ আমৃত্যু আদৰ্শত অবিচলিত আছিল য়েচুৰী। দেশৰ সমাজ-ৰাজনৈতিক ক্ষেত্ৰখনলৈ সীতাৰাম য়েচুৰী অৱদান চিৰস্মৰণীয় হৈ ৰ'ব। ৰাজ্যৰ জ্যেষ্ঠ বামপন্থী নেতা হেমেন দাসে সীতাৰাম য়েচুৰীক ভাৰতীয় গণতন্ত্ৰ আৰু সংবিধানৰ প্ৰেমীক আখ্যা দি কয় যে তেখেতে সৰ্বদা সামজৰ পিছৰপৰা মানুহৰ হৈ মাত দিছিল আৰু মৃত্যু পৰ্যন্ত সেই কাম কৰিছিল। য়েচুৰীয়ে দেশৰ অপশক্তি, বিভাজনকাৰী শক্তিৰ বিৰুদ্ধে আজীৱন যুঁজি দিয়াৰ লগতে দেশৰ মানুহক যুঁজিবৈ সাহস দিছিল বুলিও কয় দাসে।



**গুৱাহাটীৰ উজানবজাৰৰ বিবেকানন্দ প্ৰেক্ষাগৃহত য়েচুৰীক স্মৰণ**

# কৃতী শিক্ষক অমৰ শৰ্মা, ডক্টৰেট ডিগ্ৰীধাৰী অম্লানজ্যোতি গগৈক গেলেকীত সম্বৰ্ধনা

**ই-সংবাদ, আমগুৰি, ২৩ ছেপ্টেম্বৰঃ** নাজিৰা মহকুমা প্ৰাথমিক শিক্ষক সন্মিলনীৰ ২০২৪-২০২৫ বৰ্ষৰ কৃতী শিক্ষক বঁটা লাভ কৰিবলৈ সক্ষম হোৱা পূব গেলেকীৰ অন্তৰ্গত অমৰজ্যোতি প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক অমৰ শৰ্মা আৰু ডক্টৰেট ডিগ্ৰীধাৰী অম্লানজ্যোতি গগৈক কালি পূব গেলেকীত ন-পুখুৰী শাখা সাহিত্য সভাই কালি বিশেষ সম্বৰ্ধনা জনায়। উল্লেখ্য যে, কৃতী শিক্ষক বঁটা লাভ কৰা অমৰ শৰ্মা কৰ্মৰাজীয়ে পূব গেলেকীৰ অঞ্চলটিলৈ গৌৰৱ কঢ়িয়াই অনাৰ লগতে শৈশৱ, বৌদ্ধিক আৰু সামাজিক ক্ষেত্ৰখনলৈ বিশেষ অৱদানৰ আগবঢ়াইছে। আনহাতে, ৰাষ্ট্ৰীয় প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠান মিজোৰাম পৰা চলিত বৰ্ষৰ ৰসায়ন বিজ্ঞানত দৰ্শনৰ ডক্টৰেট ডিগ্ৰী লাভ কৰি গেলেকী অঞ্চললৈ গৌৰৱ কঢ়িয়াবলৈ সক্ষম হৈছে অম্লানজ্যোতি গগৈয়ে তেওঁ সোণাৰি চেণ্ট জোচেফ বিদ্যালয়ৰ পৰা শিক্ষা জীৱন পাতনি মেলে আৰু উচ্চতৰ মাধ্যমিক শিৱসাগৰ জুনিয়ৰ কলেজ পৰা উত্তীৰ্ণ হৈ ২০১৭ চনত বি.এ.চি পাছ কৰে ২০১৯ বৰ্ষত মিজোৰাম বিশ্ববিদ্যালয়ৰ পৰা মাষ্টাৰ ডিগ্ৰী লাভ কৰি একেখন বিশ্ববিদ্যালয়তে সুদীৰ্ঘ চাৰিবছৰীয়া গৱেষণা সফল সমাপ্তিৰে ডক্টৰেট ডিগ্ৰী লাভ কৰে। দুয়োকে পূব গেলেকীত ন-পুখুৰী শাখা সাহিত্য সভাই গামোচা, চেলেং আৰু সম্বৰ্দ্ধনা পত্ৰৰে বিশেষ সম্বৰ্ধনা জনায়। কৃতী শিক্ষক অমৰ শৰ্মাক অভিনন্দন জনোৱাৰ উদ্দেশ্যে অনুষ্ঠিত হোৱা অনুষ্ঠানত উপস্থিত থাকে ন-পুখুৰী শাখা সাহিত্য সভাৰ সভাপতি দিলীপ মহন্ত, সম্পাদক দিপালী দুৱৰা, উপদেষ্টা ক্ৰমে - উমা শৰ্মা, দ্বিপেন মৰান, সুশীল শইকীয়া, সূৰ্য্য শৰ্মাৰ লগতে কুঁহি উপ-সমিতিৰ সভাপতি প্ৰীতিস্মৃতা গগৈ, আহ্বায়ক অৱন্তী ৰাজখোৱাৰ লগতে ভালেকেইগৰাকী গণ্যমান্য ব্যক্তি।

# উৰিয়ামঘাটত সদৌ অসম ভিত্তিত ভাওনা প্ৰতিযোগিতা



**ই-সংবাদ, সৰুপথাৰঃ ২৩ ছেপ্টেম্বৰঃ** শংকৰদেৱ গুৰুজনাৰ এক অনুপম আৰু অনন্য সৃষ্টি হৈছে ভাওনা সংস্কৃতি। এই ভাওনা হৈছে অসমীয়া জাতিৰ জাতীয় চেতনাৰ বাহক স্বৰূপ। নৈতিক, আধ্যাত্মিক, সামাজিক,সাংস্কৃতিক সকলো তত্ত্ব নিৰ্হিত হৈ আছে এই ভাওনা সংস্কৃতিত। উঠি অহা প্ৰজন্মই ভাওনা সংস্কৃতিৰ জৰিয়তে আধ্যাত্মিক চিন্তা-চেতনাৰে জীৱনটো গঢ় দিয়াৰ লগতে অভিনয়ৰ জগতখনত প্ৰতিষ্ঠিত কৰিবৰ বাবে এক উপযুক্ত মাধ্যম হল ভাওনা। ধনশিৰি মহকুমাৰ উৰিয়ামঘাট সীমান্ত আঞ্চলিক ছাত্ৰ সন্থাৰ উদ্যোগত আৰু উৰিয়ামঘাটবাসীৰ সহযোগত সপ্তাহজোৰা কাৰ্যসূচীৰে অহা ডিচেম্বৰ মাহৰ ২২ তাৰিখৰ পৰা ২৯ সদৌ অসম ভিত্তিত প্ৰথম বাৰ্ষিক ভাওনা প্ৰতিযোগিতাৰ আয়োজন কৰিছে। উৰিয়ামঘাট ৰাজহুৱা খেলপথাৰত আয়োজন কৰা এই প্ৰথম বাৰ্ষিক ভাওনা প্ৰতিযোগিতাত উদ্যোগতাসকলে প্ৰথম, দ্বিতীয়, তৃতীয় আৰু চতুৰ্থ পুৰস্কাৰ ক্ৰমে ৮০ হাজাৰ, ৫০ হাজাৰ, ৪০ হাজাৰ আৰু ৩০ হাজাৰ নিৰ্ধাৰণ কৰা বুলি জানিবলৈ দিছে। ভাওনা প্ৰতিযোগিতাখন সুচাৰুৰূপে অনুষ্ঠিত কৰিবৰবাবে ইতিমধ্যে প্ৰতাপ গগৈক সভাপতি, কেশৱ তুলচিয়াৰীক কাৰ্যকৰী সভাপতি, বিকাশ বৰাক সাধাৰণ সম্পাদক, বিৰাজ শইকীয়া আৰু বিদুৎ শইকীয়াক সহকাৰী সম্পাদক হিচাপে লৈ যএখন শক্তিশালী অভ্যৰ্থনা সমিতি গঠন কৰা হৈছে। প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিব বিচৰা ইচ্ছুক ভাওনা দ'ল সমূহক ৯১০১৬৬৬১০৩, ৭০০২৬৯৪৫৭৩, ৮০১১৭৫৮৪৪২, ৭৮৯৬০৮৩০০১ ম'বাইল নম্বৰত যোগাযোগ কৰিবলৈ অনুৰোধ জনাইছে। এই প্ৰতিযোগিতাৰ লগত সংগতি ৰাখি শোভাযাত্ৰা, মুকলি সভা, সম্বৰ্ধনাকে আদিকৰি বহুকেইটা কাৰ্যসূচী গ্ৰহণ কৰাৰ লগতে এই কাৰ্যসূচী সমূহত ৰাজ্যখনৰ বৌদ্ধিক জগতৰ কেইবাগৰাকীও বিশিষ্ট ব্যক্তি বিশেষকৈ প্ৰতিদিন টাইমৰ জনপ্ৰিয় বিশিষ্ট সাংবাদিক নিতুমণি শইকীয়া, সু-সাহিত্যিক ডঃ অমৰজ্যোতি চৌধুৰী, যশস্বী কবি-সাহিত্যক নন্দ সিং বৰকলা, সদৌ অসম ছাত্ৰ সন্থাৰ উপদেষ্টা সমুজ্জ্বল ভট্টাচাৰ্য, সভাপতি উৎপল শৰ্মা,উপস্থিত থাকিব বুলি উদ্যোক্তা সকলে জানিবলৈ দিছে।



ডিব্ৰুগড়স্থিত অসম সচিবালয়ত মন্ত্ৰী পীযুষ হাজৰিকা আৰু সতীৰ্থসকল

# মৰিগাঁৱত কেবা লক্ষ টকাৰ সা-সম্পত্তি ভস্মীভূত

**ই-সংবাদ, মৰিগাঁও, ২৩ ছেপ্টেম্বৰঃ** মৰিগাঁও চহৰৰ মাজমজিয়াত আজি বিয়লি সংঘটিত হোৱা এক ভংয়কৰ অগ্নিকাণ্ডত দুখনকৈ দোকান আৰু একাধিক বাসগৃহ ভস্মীভূত হয়। প্ৰাপ্ত তথ্য মতে, মৰিগাঁও চহৰৰ মাজ মজিয়াস্থিত হনুমান মন্দিৰৰ সমীপত থকা এটা বাণিজ্যিক এলেকাত হঠাতে এই অগ্নিকাণ্ডৰ সূত্ৰপাত ঘটে। জুইৰ লেলিহান শিখাই মুহূৰ্ততে এলেকাটো আগুৰি ধৰাত সমগ্ৰ চহৰ খনতে এক প্ৰকাৰৰ আতংক সৃষ্টি হয়। এই অগ্নিকাণ্ডৰ সম্ভেদ লাভ কৰি মৰিগাঁৱৰ আগ্নিনিৰ্বাপক বাহিনী উপস্থিত হৈ অগ্নি নিৰ্বাপিত কৰাৰ লগতে আতংকময় পৰিস্থিতি নিয়ন্ত্ৰণ কৰিবলৈ সক্ষম হয়। অগ্নিকাণ্ডটোত ভস্মীভূত হোৱা দোকান আৰু আৱাসগৃহৰ গৰাকী আছিল তুলেন দাস আৰু দিগন্ত দাস। এই অগ্নিকাণ্ডত দোকান আৰু বাসগৃহ কেইটা সম্পূৰ্ণৰূপে জাহ যোৱাৰ লগতে কেইবালক্ষ টকাৰ সা-সম্পত্তি ভস্মীভূত হয়। অগ্নিকাণ্ডৰ প্ৰকৃত কাৰণ বৰ্তমানলৈ জানিব পৰা হোৱা নাই।

## সুবৰ্ণময় দেৱ-লিটন মিত্ৰৰ কব্জাত অনুসূচিত জাতি সঞ্চালকালয়

# কোৱোণাৰে চপাইছে অনুসূচিত জাতিৰ নামত অহা ধন

**ই-সংবাদ, ২৩ ছেপ্টেম্বৰঃ** অসমৰ অনুসূচিত জাতিৰ লোকৰ বাবে ৰূপায়ন কৰা আঁচনিৰ ধনেৰে কেৱল তিনিজন মাত্ৰ লোক ধনী হৈছে। সেই তিনিজন লোক হৈছে অনুসূচিত জাতি কল্যাণ সঞ্চালকালয়ৰ সঞ্চালিকা কুলশ্ৰী নাথ, দুই সহযোগী হৈছে কুখ্যাত ষ্টেনোগ্ৰাফাৰ সুবৰ্ণময় দেৱ আৰু প্ৰকল্প বিষয়া লিটন মিত্ৰ। আজি এই অভিযোগ উত্থাপন কৰিছে অনুসূচিত জাতি সংগ্ৰামী যুৱ পৰিষদ নামৰ সংগঠনটোৱে। সংগঠনটোৱে আজি দিছপুৰ প্ৰেছ ক্লাৱত অনুষ্ঠিত কৰা সংবাদমেলত অনুসূচিত জাতি কল্যাণ সঞ্চালকালয়ত সংঘটিত দুৰ্নীতিৰ ভয়াবহ ছবিখন উদঙাই দি কয় যে অনুসূচিত জাতি কল্যাণ সঞ্চালকালয়ত ব্লেক লিষ্টেড ঠিকাদাৰক বৰপীৰা পাৰি দি লুণ্ঠন চলোৱা হৈছে। কৃষি বিভাগৰ সাৰ কেলেংকাৰী সংঘটিত কৰা শ্বাহী নামে কুখ্যাত ঠিকাদাৰক ঠিকা লাভৰ সুবিধা দিয়া হৈছে। মুখ্যমন্ত্ৰীৰ ঘনিষ্ঠ বুলি জহাই ফুৰা লিখন চমুৱাক ঠিকা দি লুণ্ঠন কৰা হয়। মুখ্যমন্ত্ৰীৰ ঘনিষ্ঠ বুলি পৰিচয় দিয়া লিখন চমুৱা কাৰ্যালয়টোত উঠি ৰজা বহি ৰজা। সংগঠনটোৱে সঞ্চালকালয়ৰ কাৰ্যালয়টোৰ ষ্টেনোগ্ৰাফাৰ সুবৰ্ণময় দেৱে গুৱাহাটীৰ য'তে ত'তে মাটি কিনাৰ তথ্য দাঙি ধৰে। ৰুক্মিনীগাঁৱত তিনি কঠা মাটি ক্ৰয় কৰি তিনিমহলীয়া অট্টালিকা নিৰ্মাণ কৰিছে দেৱে। ডাউন-টাউনত থ্ৰি-বিএইচকে ফ্লেট ক্ৰয় কৰিছে। লগতে থ্ৰি-বিএচকে ফ্লেট আৰু পৰিয়ালৰ নামত জ্ঞাত-অজ্ঞাত সম্পত্তি ক্ৰয় কৰাৰ অভিযোগ উত্থাপন কৰিছে। ইমানে সুবৰ্ণময় দেৱে কাৰ্যালয়ত মদৰ আড্ডা কৰাৰ লগতে হাফপেণ্ট পিন্ধি কাৰ্যালয়লৈ অহাৰ অভিযোগ আনে অনুসূচিত জাতি সংগ্ৰামী যুৱ পৰিষদে। আজি সংবাদমেলত অনুসূচিত জাতি সংগ্ৰামী যুৱ পৰিষদৰ সভাপতি সঞ্জীৱ দাসে ষ্টেনোগ্ৰাফাৰ সুবৰ্ণময় দেৱৰ সম্পত্তিৰ স্থিৰ চিত্ৰ প্ৰদৰ্শন কৰি শীঘ্ৰে অবৈধভাৱে গঢ়া সম্পত্তিৰ তদন্তৰ দাবী উত্থাপন কৰিছে। সংগঠনটোৱে উল্লেখ কৰা মতে, সুবৰ্ণময় দেৱ প্ৰায় ৫০ কোটি টকাৰ সম্পত্তিৰ গৰাকী হৈছে। কিয়নো অনুসূচিত জাতি কল্যাণ সঞ্চালকালয়ৰ নিবিদাৰ নিয়ন্ত্ৰণ তেওঁৰ হাতত। ঠিকাদাৰ তেওঁৰ হাতত। অনুসূচিত জাতি কল্যাণ সঞ্চালকালয়ৰ পৰা অনুসূচিত জাতিৰ পৰিৱৰ্তে লিটন মিত্ৰ, সুবৰ্ণময় দেৱৰ উন্নতি হৈছে। সুবৰ্ণময় দেৱৰ বিৰুদ্ধে কেন্দ্ৰীয় তদন্তকাৰী সংস্থা, আয়কৰ বিভাগ আৰু অসমৰ চিআইডিৰ দ্বাৰা তদন্ত কৰা হওক। প্ৰায় ৫০ হাজাৰ টকা দৰমহা পোৱা এজন লোকে কেইটামান বছৰৰ ভিতৰত ইমান সম্পত্তি গঢ়িলে কেনেকৈ? ইতিমধ্যে সুবৰ্ণময় দেৱ আৰু প্ৰকল্প বিষয়া লিটন মিত্ৰৰ সমস্ত তথ্য প্ৰধানমন্ত্ৰীৰ কাৰ্যালয় আৰু ৰাষ্ট্ৰীয় অনুসূচিত জাতি আয়োগক অৱগত কৰিছে। সংগঠনটোৱে কয় যে সুবৰ্ণময় দেৱ আৰু প্ৰকল্প বিষয়া লিটন মিত্ৰৰ সম্পত্তিৰ তথ্য ৰাজহুৱা নোহোৱা পৰ্যন্ত এৰি নিদিও। অনুসূচিত জাতি কল্যাণ সঞ্চালকালয়ত ষ্টেনোগ্ৰাফাৰ পদৰ প্ৰয়োজনীয়তা নাই বুলি দাবী কৰি সংগঠনটোৱে কয় যে সুবৰ্ণময় দেৱক শীঘ্ৰে ডেপুটেচনত অন্য কাৰ্যালয়লৈ বদলি কৰক। ইপিনে প্ৰকল্প বিষয়া লিটন মিত্ৰ অৰ্থনৈতিক পৰিসংখ্যা বিভাগৰ কৰ্মচাৰী। লিটন মিত্ৰক বদলি কৰা হৈছিল যদিও ন্যায়ালয়ৰ কাষ চাপি পিতৃৰ ৰোগৰ বাবে বদলি স্থগিত কৰিছিল। অনুসূচিত জাতি কল্যাণ সঞ্চালকালয়ৰ কাৰ্যালয়ৰ পৰা শীঘ্ৰে লিটন মিত্ৰক তেওঁৰ বিভাগ অৰ্থনৈতিক পৰিসংখ্যা বিভাগলৈ বদলি কৰক। সংগঠনটোৱে বৈদ্যুতিক তাঁতশাল বিতৰণৰ নামত কোটি কোটি টকাৰ লুণ্ঠন হোৱাৰ অভিযোগ আনিছে। তেওঁলোকে কয় যে বৈদ্যুতিক তাঁতশালৰ নামত ৰাজকোষৰ পৰা টকা ওলাই গৈছে যদিও তাঁতশালসমূহ গুদামত পৰি আছে। বৈদ্যুতিক তাঁতশাল লাভ কৰা বোৱতীক প্ৰশিক্ষণ প্ৰদান কৰিব লাগিছিল যদিও আজিলৈ প্ৰশিক্ষণ প্ৰদান কৰা নহ'ল। সঞ্চালিকা কুলশ্ৰী নাথ, ষ্টেনোগ্ৰাফাৰ সুবৰ্ণময় দেৱ আৰু প্ৰকল্প বিষয়া লিটন মিত্ৰ নামৰ ত্ৰিমূৰ্তিয়ে শেহতীয়াকৈ ঠিকাদাৰ নুপূৰ চাহাৰ সৈতে লগলাগি বৃহৎ কেলেংকাৰী সংঘটিত কৰাৰ গুৰুতৰ অভিযোগ আনে। নুপূৰ চাহাই দৰিদ্ৰ অনুসূচিত জাতিৰ লোকক টিভি আৰু পাকঘৰৰ সামগ্ৰী প্ৰদানৰ নামত প্ৰায় ১৪০ কোটিৰ ঠিকা লাভ কৰিছিল। সংগঠনটোৱে তীব্ৰ ক্ষোভ ব্যক্ত কৰি কয় যে ২০২২-২৩ বৰ্ষত অনুসূচিত জাতিৰ লোকৰ মাজত টিভি আৰু পাকঘৰৰ সামগ্ৰী প্ৰদানৰ নামত ১৪০ কোটিৰ লুণ্ঠন হৈছে। সংগঠনটোৰ সভাপতি সঞ্জীৱ দাসে কয় যে সামগ্ৰী বিতৰণত সংঘটিত প্ৰায় ১৪০ কোটি টকীয়া দুৰ্নীতিৰ বিষয়ে প্ৰধানমন্ত্ৰীৰ কাৰ্যালয় আৰু ৰাষ্ট্ৰীয় অনুসূচিত জাতি আয়োগক অৱগত কৰা হৈছে।


## মাজুলীবাসীক অন্ধকাৰত ৰাখি ১৬ দিন ধৰি কাম চলোৱা নাই কোম্পানীয়ে

# হঠাৎ বন্ধ যোৰহাট-মাজুলী সংযোগী দলঙৰ নিৰ্মাণ কাৰ্য

**মাজুলীৰ পৰা পৰাণজ্যোতি বৰা, ২৩ ছেপ্টেম্বৰঃ** বহু প্ৰত্যাশিত মাজুলীৰ সপোন যোৰহাট-মাজুলী সংযোগী দলং ২০১৬ বৰ্ষত আধাৰশিলা স্থাপন কৰি ২০২১ বৰ্ষৰ ২৯ নবেম্বৰত অসমৰ মুখ্যমন্ত্ৰীয়ে ভাৰত চৰকাৰৰ যোগেদি অনুমোদিত ৯২৫.৪৭ কোটী টকাৰ দলঙৰ প্ৰথম খুটাৰ আনুষ্ঠানিক উদ্বোধন কৰিছিল। কেন্দ্ৰীয় পথ পৰিবহণ আৰু ঘাইপথ মন্ত্ৰণালয়ৰ দ্বাৰা প্ৰস্তাৱিত দলংখন ৬৫০.০৭ কোটী টকাৰে নিৰ্মাণৰ বাবে দায়িত্ব লাভ কৰা নিৰ্মাণকাৰী প্ৰতিষ্ঠান লক্ষ্ণৌৰ ইউ পি ষ্টেট ব্ৰিজ কৰ্প'ৰেচনে বি আৰ চি নামৰ অসমৰ অন্য এটা কোম্পানীক ছাব কণ্ট্ৰেক্ট হিচাপে কাম কৰিবলৈ দিছিল। বিভিন্ন খামখেয়ালি আৰু লেহেম গতিৰে তেতিয়াৰ পৰাই বিভাগীয়ভাৱে নিৰ্দ্ধাৰিত ২০২৫ বৰ্ষত দলং নিৰ্মাণ সম্পন্ন কৰাৰ লক্ষ্যৰে বি আৰ চিয়ে দলং নিৰ্মাণৰ কাম কৰি আহিছিল। কিন্তু হঠাৎ ৭ ছেপ্টেম্বৰত দলং নিৰ্মাণৰ ছাব কণ্ট্ৰেক্ট বি আৰ চিয়ে কাম আধাতে সামৰি তালি টোপোলা বান্ধি নিৰ্মাণস্থলীৰ পৰা পলায়ন কৰাৰ লগতে টালি টোপোলা বান্ধি সত্তৰ শতাংশ শ্ৰমিকে কাম এৰি ঘৰলৈ ঢাপলি মেলিলে। বহু শ্ৰমিকে কাম কৰা পইচা পোৱা নাই দলঙৰ। আজি ১৬ টাকৈ দিনে কাম বন্ধ হৈ আছে দলঙৰ। কিন্তু কি কাৰণত এই দলঙৰ কাম বন্ধ ৰাখিব লগা হৈছে দুইটা কোম্পানীয়ে মুখ খোলা নাই। মাজুলীৰ সাংবাদিকৰ লগতে দুই এটা সংগঠন আৰু সচেতন নাগৰিক দলং খনৰ সম্পৰ্কত নিৰ্মাণস্থলিত দলঙৰ নিৰ্মাণ কৰি কোম্পানী আৰু বিভাগত বিষয়াক দলংখনৰ সম্পৰ্কত অৱগত হবৰ বাবে যোৱাৰ পাছতো কোনো এটা কোম্পানী আৰু বিভাগৰ লোকক সাক্ষাৎ নাপালে। সকলো নিমাত এই সম্পৰ্কত। এফালে দৈনিক এপদ এপদ কৈ নোহোৱা হৈছে দলং নিৰ্মাণৰ যন্ত্ৰাংশৰ লগতে ৰডকে আদি কৰি সামগ্ৰী। কালি নিশা দলং নিৰ্মাণৰ বাবে ৰাখি থোৱা ৰড বি আৰ চি মূল কোম্পানীয়ে মাজুলীৰ পৰা AS 23CC 6035 নম্বৰৰ ৰড ভৰ্তি এখন ট্ৰেইলৰ দলংস্থলীৰ পৰা ৰড নিয়া অৱস্থাত স্থানীয় ৰাইজে আবদ্ধ কৰে। ট্ৰেইলৰ চালকজনক সোধা পোছা কৰাত কোম্পানীয়ে নিবলৈ দিয়াৰ বাবে নিয়া হৈছে বুলি জানিবলৈ দিয়ে। নিশা এনেদৰে দলং নিৰ্মাণৰ বাবে অনা সামগ্ৰী বিভিন্ন সময়ত নি থকাত দলংখনৰ নিৰ্মাণ কাৰ্য কি গতিত আছে এই লৈ মাজুলীত প্ৰতিক্ৰিয়া সৃষ্টি হৈছে। এফালে দলং নিৰ্মাণ কাৰ্য বন্ধ হৈ থকা আৰু মাজুলীৰ পৰা কোম্পানীয়ে সামগ্ৰী নি থকা মাজুলীত প্ৰতিক্ৰিয়া সৃষ্টি হৈ থকাৰ পাছতো মুখ খোলা মাজুলীৰ বিধায়ক ভুবন গামে। বিধায়ক গৰাকীয়ে দলং খনৰ সম্পৰ্কত স্থিতি স্পষ্ট নোহোৱাত বিধায়কগৰাকীৰ ওপৰতো ক্ষোভ প্ৰকাশ কৰিছে মাজুলীৰ সচেতৰ ৰাইজে।আজি পোন্ধৰ দিন বন্ধ হৈ থকা দলং নিৰ্মাণ থলিত উপস্থিত নহ'ল বিধায়কগৰাকী আৰু কি পৰিস্থিতি দলং নিৰ্মাণ বন্ধ কৰিব লগা হৈছে এই সম্পৰ্কত কোনো ধৰণৰ মুখ খোলা নাই। আনহাতে মাজুলীৰ অভিভাৱক মন্ত্ৰী ৰনোজ পেগু দলঙ খনৰ নিৰ্মাণ কাৰ্য বন্ধ হৈ থকাৰ পাছত দুবাকৈ মাজুলীলৈ আহি এবাৰো দলং নিৰ্মাণ কি কাৰণত বন্ধ ৰাখিব লগা হ'ল মুখ নুখুলিলে সাংবাদিকে সোধাৰ পাছতো। দায়সৰা, চালেবেৰে কোবোৱা মন্তব্য প্ৰদান কৰাহে দেখা গল। দুবাৰ মাজুলীলৈ অহাৰ পাছতো মাজুলীৰ অভিভাৱক মন্ত্ৰীৰ দায়িত্ব থাকি দলং নিৰ্মাণস্থলী প্ৰত্যক্ষ নকৰাৰ অভিযোগ তুলিছে মাজুলীবাসীয়ে। আনহাতে মাজুলী জিলা বিজেপিৰ বিষয়ববীয়া সকলো এই ক্ষেত্ৰত নিমাতে আছে। এনেদৰে দলংখনক লৈ সকলো নিমাতে থকাৰ কাৰণ কি বুলিও প্ৰশ্ন উঠিছে মাজুলীত। যোৰহাটৰ সাংসদ গৌৰৱ গগৈ ফালেও সামাজিক মাধ্যমত আঙুলি তুলিছে বিভিন্নজনে। সাংসদ গৰাকীয়ে মাজুলীৰ সপোন যোৰহাট মাজুলী সংযোগী দলংখনক লৈ সৰৱ ভূমিকা পালন কৰিব লাগিছিল বুলি প্ৰশ্ন উত্থাপন কৰি তেওঁ নিমতে আছে বুলি মন্তব্য কৰিছে। দলঙৰ ৭১ টা খুটাৰ ২২ টা সম্পূৰ্ণ হৈছিল। বৰ্তমান দলংখনৰ ৩০ শতাংশ কামৰ অগ্ৰগতি হৈছিল। বহু কাম বাকী আছে দলঙৰ। নিৰ্মাণকাৰী দুই সংস্থাৰ মনোমালিন্য আৰু পুঁজিৰ খেলি-মেলিৰ বাবেই কাম বন্ধ হৈ থকাৰ সন্দেহ কৰিছে মাজুলীবাসীয়ে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কোৱাৰ দৰে ২০২৬-ৰ নিৰ্বাচনত যোৰহাটত ৰাতিপুৱা জলপান খাই মাজুলী যোৰহাট-সংযোগী দলঙেৰে মাজুলীত আহি ভাত খাম আকৌ দলঙেৰে পাৰ হৈ ৰাতি বিহপুৰীয়াত ভাত খাম বুলি উল্লেখ কৰা কথাষাৰ কিন্তু আজিলৈকে বাস্তৱত পৰিণত হোৱা নাই। আজি মাজুলী জিলাৰ জিলা আয়ুক্ত হিচাবে কাৰ্যভাৰ গ্ৰহণ কৰিয়ে ৰাতুল চন্দ্ৰ পাঠকে মহাবাহু ব্ৰহ্মপুত্ৰৰ ওপৰেৰে নিৰ্মীয়মান অৱস্থাত থকা যোৰহাট-মাজুলী সংযোগী দলঙৰ নিৰ্মাণস্থলী পৰিদৰ্শন কৰি নিৰ্মাণকাৰ্যৰ সৈতে জড়িত অভিযন্তা-কৰ্মচাৰীসকলৰ লগত নিৰ্মাণ কাৰ্যৰ অগ্ৰগতি সম্পৰ্কে এক আলোচনাত মিলিত হয়।

# শিৱসাগৰত দুই ড্ৰাগছ সৰবৰাহকাৰীক হাতে-লোটে গ্ৰেপ্তাৰ

**ই-সংবাদ, শিৱসাগৰ, ২৩ ছেপ্টেম্বৰঃ** শিৱসাগৰত যোৱা নিশা ড্ৰাগছ বিৰোধী অভিযান চলাই আৰক্ষীয়ে। অভিযান কালত ড্ৰাগছসহ দুজন ড্ৰাগছ সৰবৰাহকাৰীক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়। ৰফিকুল ইছলাম আৰু ৰচিদ নামৰ ড্ৰাগছ সৰবৰাহকাৰী দুটাক গ্ৰেপ্তাৰ কৰে আৰক্ষীয়ে। যুৱক দুজনৰ পৰা আৰক্ষীয়ে ১৪ টা ড্ৰাগছ ভৰ্তি কণ্টেইনাৰ জব্দ কৰে। ড্ৰাগছৰ লগতে কেইবাহেজাৰ নগদ ধন, ম'বাইলসহ এখন বাইঅ' জব্দ কৰে আৰক্ষীয়ে। শিৱসাগৰ ষ্টেচন চাৰিআলিৰ পৰা গ্ৰেপ্তাৰ কৰা ড্ৰাগছ ব্যৱসায়ী দুটাৰ ঘৰ নগাঁৱত বুলি জানিব পৰা গৈছে। ইয়াৰে এটাই



শিৱসাগৰ চহৰত ভাড়াঘৰত থাকি এই বেহা চলাই অহাৰ অভিযোগ উত্থাপন কৰিছে স্থানীয় ৰাইজে। উল্লেখ্য যে বিগত কিছুদিন ধৰি ৰাজ্যৰ ভিন্ন প্ৰান্তত একাংশ সন্দেহজনক লোকে ড্ৰাগছ সৰবৰাহ কৰি আহিছে। ইয়াৰ মাজতে আজি শিৱসাগৰ জিলাত দুজনকৈ ড্ৰাগছ সৰবৰাহকাৰী গ্ৰেপ্তাৰ হোৱা বিষয়টোৱে সমগ্ৰ জিলাখনতে চাঞ্চল্যৰ সৃষ্টি কৰিছে। জানিব পৰা মতে, বিগত কিছুদিন ধৰি জিলাখনৰ ভিন্ন অঞ্চলত এটা অসাধু চক্ৰই ড্ৰাগছ সৰবৰাহ কৰি বহু লোকৰ লগতে নৱ-প্ৰজন্মকো বিপথে পৰিচালিত হবলৈ প্ৰৰোচিত কৰি আহিছে।

শেষ পৃষ্ঠা

## ১৬-৩০ অক্টোবৰলৈ

# ৩০ সংখ্যক সৰ্বভাৰতীয় বড়োফা উপেন্দ্ৰ নাথ ব্ৰহ্ম স্বৰ্ণকাপ ফুটবল প্ৰতিযোগিতা

**ই-সংবাদ, ওদালগুৰি, ২৩ ছেপ্টেম্বৰঃ** সৰ্বভাৰতীয় বড়োফা উপেন্দ্ৰ নাথ ব্ৰহ্ম স্বৰ্ণকাপ ফুটবল প্ৰতিযোগিতাখনি অহা ১৬ অক্টোবৰৰ পৰা ২৬ অক্টোবৰলৈ ওদালগুৰিৰ নলবাৰী খেল পথাৰত অনুষ্ঠিত কৰিবলৈ আয়োজন কৰা হৈছে। এই উপলক্ষে যোৱা ১৮ ছেপ্টেম্বৰত ওদালগুৰি জিলা ক্ৰীড়া সন্থাৰ এখনি সাধাৰণ সভা ওদালগুৰি জিলা ক্ৰীড়া সন্থাৰ সভাপতি তথা স্থানীয় বিধায়ক গোবিন্দ চন্দ্ৰ বসুমতাৰীৰ সভাপতিত্বত ওদালগুৰি পৌৰ সভাৰ সভাকক্ষত অনুষ্ঠিত হৈ যায়। ওদালগুৰি জিলা ক্ৰীড়া সন্থাৰ সাধাৰণ সম্পাদক প্ৰণীল দৈমাৰীয়ে আঁতধৰা সভাত বিভিন্ন জনৰ পৰামৰ্শ মৰ্মে বিধায়ক তথা বিটিআৰৰ উপমুখ্য কাৰ্যবাহী সদস্য গোবিন্দ চন্দ্ৰ বসুমতাৰীক সভাপতি হিচাপে লৈ খেলখন সুচাৰুৰূপে পৰিচালনাৰ বাবে এখনি পৰিচালনা সমিতি গঠন কৰা হয়। উক্ত ৩০ সংখ্যক সৰ্বভাৰতীয় বড়োফা উপেন্দ্ৰ নাথ ব্ৰহ্ম স্বৰ্ণকাপ ফুটবল প্ৰতিযোগিতাত অসমৰ ৮ টাকৈ শক্তিশালী দলে অংশগ্ৰহণ কৰাৰ উপৰিও সৰ্বভাৰতীয় পৰ্যায়ৰ বিভিন্ন ৰাজ্যৰ কেইবাটাও দলে অংশ গ্ৰহণ কৰিব বুলি জিলা ক্ৰীড়া সন্থাৰ সাধাৰণ সম্পাদক প্ৰণীল দৈমাৰীয়ে জানিবলৈ দিয়ে।



অযোধ্যাত সূত্ৰধাৰ অনুষ্ঠানৰ এটি মুহূৰ্ত

# স্মাৰ্ট মিটাৰ বন্ধ কৰাৰ দাবীত শিৱসাগৰত কৃষক মুক্তিৰ সমদল

## দাবী নামানিলে তীব্ৰ আন্দোলনৰ হুংকাৰ

**ই-সংবাদ, শিৱসাগৰ, ২৩ ছেপ্টেম্বৰঃ** শিৱসাগৰ জিলা আয়ুক্ত হিচাপে আজি আয়ুস গাৰ্গে দায়িত্বভাৰ গ্ৰহণ কৰাৰ দিনাই স্মাৰ্ট মিটাৰ বন্ধ কৰা আৰু মাইক্ৰ'ফাইনেন্সৰ ঋণ ৰেহাইৰ দাবীত চহৰৰ ৰাজপথ উত্তাল কৰে ছাত্ৰ মুক্তি, কৃষক মুক্তি সংগ্ৰাম সমিতিয়ে। প্ৰখৰ ৰ'দ নেওচি কৃষক মুক্তি আৰু ছাত্ৰ মুক্তি সংগ্ৰাম সমিতিৰ দুই শতাধিক কৰ্মী তথা বিষয়ববীয়াই শিৱসাগৰ মুক্তিনাথ চাৰিআলিৰ পৰা উলিয়াই সমদল। হাতে হাতে বেনাৰ, প্লে-কাৰ্ড লৈ স্মাৰ্ট মিটাৰ বন্ধ কৰক, বিদ্যুৎ বিভাগে চলোৱা লুণ্ঠন বন্ধ কৰক, নন্দিতা গাৰ্লোচা হায় হায় আদি শ্লোগান দি পৰিৱেশ উত্তাল কৰে সমিতিয়ে। লক্ষ্যণীয় যে শিৱসাগৰলৈ আজিৰ দিনটোত দুগৰাকী কেন্দ্ৰীয় মন্ত্ৰী আৰু অসম চৰকাৰ দুগৰাকী মন্ত্ৰী আগমণৰ সময়তে কৃষক মুক্তি, ছাত্ৰ মুক্তিয়ে এই সমদল উলিয়াই চৰকাৰৰ বিৰুদ্ধে তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰে। ইপিনে সমদলটো মুক্তিনাথ চাৰিআলিৰ পৰা জিলা আয়ুক্ত কাৰ্যালয়ৰ সন্মুখলৈকে এই সমদল উলিওৱাৰ কথা আছিল যদিও আধা বাটতে আৰক্ষী, নিৰাপত্তাৰক্ষীয়ে বাধা দিয়ে। জিলা আয়ুক্ত কাৰ্যালয়ৰ সন্মুখ পোৱাৰ আগেয়ে ঐতিহাসিক শিৱদৌলৰ সন্মুখতে বাধা প্ৰদান কৰে আৰক্ষীয়ে। ফলত আৰক্ষী আৰু সমদলকাৰী সকলৰ মাজত সৃষ্টি হয় হতাহতি। পৰিস্থিতি অধিক উত্তপ্ত হোৱাৰ আগেয়ে নিয়ন্ত্ৰণ কৰে আৰক্ষীয়ে। লক্ষণীয় যে জিলা আয়ুক্ত কাৰ্যালয়ৰ চৌহদলৈ আহিছিল মন্ত্ৰী জয়ন্ত মল্ল বৰুৱা। ইয়াৰ পাৰিপেক্ষিতত আধাবাটৰ পৰা উভতাই পঠিয়াই সমদলকাৰীক। ইয়াৰ মাজতে অসম চৰকাৰৰ বিৰুদ্ধে তীব্ৰ ক্ষোভ প্ৰকাশ কৰে কৃষক মুক্তিৰ কেন্দ্ৰীয় মুখ্য সাংগঠনিক সম্পাদক ৰিতুমনি হাজৰিকাই। ৰিতুমনি হাজৰিকাই কয়, "মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই মাইক্ৰ'ফাইনেঞ্চৰ ঋণ ৰেহাই কৰি দিয়াৰ ব্যৱস্থা কৰিব বুলি প্ৰতিশ্ৰুতি দিছিল যদিও আজি পৰ্যন্ত বহু মহিলাৰ তথা পৰিয়ালক ৰেহাই নিদিলে। বৰঞ্চ পুনৰ " লাখপতি" কৰাৰ টুপ দি মহিলা সকলক ৰামঠগন দিলে। " আনহাতে স্মাৰ্ট মিটাৰ ব্যৱস্থাৰ যোগেদিও বিদ্যুৎ বিভাগে গ্ৰাহকক লুণ্ঠন চলোৱা বুলি তীব্ৰ সমালোচনা কৰে ৰিতুমনি হাজৰিকাই। শ শ গ্ৰাহকে স্মাৰ্ট মিটাৰ ঘূৰাই দি ক্ষোভ প্ৰকাশ কৰাৰ পিছতো অসমৰ শক্তি বিভাগৰ মন্ত্ৰী গৰাকীয়ে চকু মুদা কুলিৰ ভাও ধৰি থকা বুলি ক্ষোভ প্ৰকাশ কৰে হাজৰিকাই। স্মাৰ্ট মিটাৰক লৈ চৰকাৰে অচিৰেই উক্ত দাবী দুটা মানি নল'লে ৰাজ্যজুৰি প্ৰবল আন্দোলন গঢ়ি তোলাৰো হুংকাৰ দিয়ে কৃষক মুক্তি আৰু ছাত্ৰ মুক্তি সংগ্ৰাম সমিতিয়ে।

# ৰাম জন্মভূমি অযোধ্যাত 'সূত্ৰধাৰ ২০২৪'ৰ সফল সামৰণি

**ই-সংবাদ, বেবেজীয়া, ২৩ ছেপ্টেম্বৰঃ** মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ চিন্তা-দৰ্শন আৰু অসম তথা অসমীয়াৰ জাতীয় জীৱনৰ স্বকীয় বৈশিষ্ট্যপূৰ্ণ অনন্য সমল সমূহ ৰাষ্ট্ৰীয় পৰ্যায়ত প্ৰচাৰ আৰু প্ৰসাৰৰ সংকল্পৰে কুটুম্ব সুৰক্ষা পৰিষদৰ উদ্যোগত উত্তৰ প্ৰদেশৰ অযোধ্যাত তিনিদিনীয়াকৈ আয়োজিত 'সূত্ৰধাৰ ২০২৪' শীৰ্ষক ৰাষ্ট্ৰীয় শৈক্ষিক আৰু সাংস্কৃতিক সন্মিলনখনি দেওবাৰে নিশা সামৰণি পৰে। সন্মিলনৰ শেষত পৰিষদৰ সভাপতি সত্য ৰঞ্জন বৰাই অহা বৰ্ষৰ 'সূত্ৰধাৰ ২০২৫' সন্মিলনখনি গুৰু শংকৰৰ জন্মভূমি বটদ্ৰৱাত অনুষ্ঠিত হ'ব বুলি ঘোষণা কৰাৰ লগে লগে উপস্থিত দৰ্শক, ভকত-বৈষ্ণৱ আৰু আইমাতৃ সকলে দেৱবাদ্য খোল-তাল আৰু উৰুলিৰ মাংগলিক ধ্বনিৰে হৰিধ্বনি দি সম্ভাষণ জনাই। সন্মিলনৰ সামৰণি সত্ৰত সৰ্বগুণাকৰ মহাপুৰুষ শংকৰদেৱৰ বিশ্বজনীন দৰ্শন, চিন্তনৰ বিষয়ে সাৰগৰ্ভ ভাষন প্ৰদান কৰে দেশৰ বিভিন্ন প্ৰান্তৰ বহু কেইগৰাকী বিশিষ্ট পণ্ডিত, অধ্যাপক আৰু গৱেষকে। এই সন্ত-মহন্ত সন্মিলনত অযোধ্যা ধামৰ কৌশলেশ সদনৰ শ্ৰীমদ জগতগুৰু ৰামাণুজ আচৰ্য স্বামী শ্ৰী বসুদেৱ আচাৰ্য বিদ্যা ভাস্কৰ মহাৰাজ, ঝাৰখণ্ডৰ গুৰু স্বামী ভাগৱত নন্দ, উত্তৰ প্ৰদেশৰ মোগলচৰাইৰ বিধায়ক ৰমেশ জয়চৱাল, উত্তৰ প্ৰদেশৰ প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী তথা বৰ্তমানৰ বিধায়িকা অনুপমা জয়চৱাল, গুৱাহাটী বিশ্ববিদ্যালয়ৰ সংস্কৃত বিভাগৰ অধ্যাপক কামেশ্বৰ শুক্লা, অখিল অসম কালবাৰ সমাজৰ সভাপতি সন্তোষ কুমাৰ জয়চৱাল, বিহাৰৰ নৱ নালন্দা মহাবীৰ বিশ্ববিদ্যালয়ৰ অধ্যাপক বিজয় কুমাৰ কৰ্ণ, নতুন দিল্লী শ্ৰী লাল বাহাদুৰ শাস্ত্ৰী ৰাষ্ট্ৰীয় সংস্কৃত বিশ্ববিদ্যালয়ৰ উপাচাৰ্য মুৰুলী মনোহৰ পাঠক, অযোধ্যাৰ জিলা পঞ্চায়তৰ অধ্যক্ষ অলোক কুমাৰ সিংহ ৰোহিতকে ধৰি কেইবাগৰাকী বিশিষ্ট ব্যক্তিয়ে ভাষন প্ৰদান কৰে। ইফালে, সন্মিলনৰ অন্তিম দিনা পুৱা নাম-কীৰ্তনেৰে আৰম্ভ হোৱা সাংস্কৃতিক কাৰ্যসূচীৰ পিছতে শ্ৰীৰামচন্দ্ৰৰ জন্মভূমি অযোধ্যাৰ ৰাজপথত এটি বিশাল সাংস্কৃতিক শোভাযাত্ৰা উলিওৱা হয়। অসমীয়া কলা-কৃষ্টি-সংস্কৃতিৰ উপাদানৰ সমাহাৰে উলিওৱা এই বিশাল বৰ্ণিল শোভাযাত্ৰাই উজ্বলাই তোলে পূণ্যভূমি অযোধ্যাৰ ৰাজপথ । মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ ভাওনা, নাম-কীৰ্তন, বিয়ানাম, বৰঢোল, ওজাপালি আদি বিভিন্ন সাংস্কৃতিক সমল প্ৰতিফলিত কৰি উলিওৱা শোভাযাত্ৰাত আটকধুনীয়াকৈ জাতীয় সাজপাৰ পৰিধান কৰি অংশ লোৱা অসমীয়া আইমাতৃ, যুৱক-যুৱতী, বয়োজ্যেষ্ঠ সকলোৱে জয় গুৰু শংকৰ ধ্বনিৰে মুখৰিত কৰি শ্ৰীৰামচন্দ্ৰৰ পবিত্ৰ জন্মভূমি। এক কথাত সন্মিৰ অনুষ্ঠানথলী বাসুদেৱ ঘাটৰ ধৰ্ম মণ্ডপৰ পৰা ৰাম মন্দিৰলৈ পদব্ৰজে পৰিভ্ৰমণ কৰা এই শোভাযাত্ৰাই অনন্য মাত্ৰা প্ৰদান কৰে। নিশা সূত্ৰধাৰ পৰিয়ালৰ নবীন শিল্পীসকলে ৰজাঘৰীয়া চালি নৃত্য পৰিৱেশন কৰাৰ পিছত নিশা ওম সাই গনেশ প্ৰডাকশ্যনৰ মহিলাসকলে "দক্ষযজ্ঞ" ভাওনা প্ৰদৰ্শন কৰে।

newsnextone.comৰ হৈ গুৱাহাটীৰ পৰা অনলাইনযোগে ছফি জামালৰ দ্বাৰা প্ৰকাশিত, ই-মেইলঃ newsnextne@gmail.com, যোগাযোগ/হোৱাটছএপ নম্বৰঃ ৯৩৬৫২২৫২৪৮, কাৰ্যালয়ঃ জ্যোতিনগৰ, বামুণীমৈদাম (বা-বাতৰিৰ বাবে বাৰ্তা সম্পাদক দায়বদ্ধ)
সম্পাদকঃ বিজি গগৈ (অবৈতনিক)